Regular and miscellaneous enquiries are being carried on in another 45 ( forty five ) cases and it is not considered proper to furnish further details in these case at this state.

## বিঃ ফৰকাটিং ষ্টেট ডিচ পেনচেৰী

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

১০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ফৰকাটিং ষ্টেট ডিচ পেনচেৰী খন তাহানিৰ লোকেল বোৰ্ডৰ দিনৰ পাচত ঘৰ-দুৱাৰ ( ডক্তৰ থকা চিকিৎসা ঘৰ ) আদিৰ উন্নতি হোৱাৰ ক'ত বাধা হৈছে বা কিয়বা বাধাৰ সৃষ্টি হৈছে জনাবনে ?

(খ) জনবহুল আৰু উন্নতিৰ পথত আগবাঢ়ি আহিবলৈ ধৰা এই অঞ্চলৰ একমাত্ৰ এই ষ্টেট ডিচপেনচেৰী খন জন সাধাৰণৰ লাগতিয়ালকৈ গঢ়ি তুলিবৰ কাৰণে এখন আঁচনি কৰা হৈছে সঁচা নেকি ?

(গ) যদি হৈছে, তেন্তে এই আঁচনিত খৰচ কিমান হব বা কিমান ধনেৰে এই আঁচনিখন সম্পূৰ্ণ হব বুলি চৰকাৰে বিবেচনা কৰিছে ?

(ঘ) ডিচপেনচেৰী খনৰ আৱশ্যকতালৈ লক্ষ্য কৰি এনে এখন আঁচনিৰে জন সাধাৰণৰ উপকৃত হব বুলি চৰকাৰে তাৰ নিখুট ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীহৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০। (ক)—ফৰকাটিং ৰাজ্যিক চিকিৎসালয় খন লোকেল বোৰ্ডৰ নাছিল। পুঁজিৰ অভাৱত এই ডিচ,পেনচেৰীৰ ঘৰ –দুৱাৰ মেৰামতি কৰিব পৰা নাই।

(খ), (গ) আৰু (ঘ)—Chief Engineer, P. W. D. এৰ পৰা ফৰকাটিং ৰাজ্যিক চিকিৎসালয়ৰ ঘৰ-দুৱাৰ (ডাক্তৰ থকা চিকিৎসা ঘৰ) নিৰ্ম্মাণ কৰিবলৈ প্ৰাকলন যোৱা ১০।৭।৭৩ তাৰিখত বিচৰা হৈছে।

## CALLING ATTENTION

**Shri Charan Narzary :** Sir, what is the fate of my adjournment motion ?

**Mr. Speaker :** Now next item, Shri Barua.

**Shri Dulal Chandra Barua :** Sir, under Rule 54 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Chief Minister to the news item appearing in the Dainik Asom, Dated 26 th October, 1973 under the caption. "

**Shri Sarat Chandra Sinha :**—Chief Minister

Governmen'ts attention has been drawn to the News Item published in the 'Dainik Asom' dated 26-10-1973 what has been stated in the News Item is not correct.

On the invitation of the Government of Assam, the Small Industries Extension Training Institute of Hyderabad trained a

number of our officers in Entrepreneurship Motivation. After training, 24 officers have been posted in six different centres namely, kokrajhar, Mongoldoi, Dhemaji, Jorhat, Diphu and Silchar. It will be the duty of these officers to select prospective entrepreneurs from unemployed educated youths, train them and ultimately, help them in establishing a project of their own.

Already the process of selection of entrepreneurs has commenced and training started in Kokrajhar, Mongoldoi, Diphu and Jorhat. Under this scheme, a maximum of nine months may be required to enable the entrepreneurs to be trained and to set up his project successfully. During this period, he will be given a scholarship of Rs. 100/-per month. It may be pointed out that, Assam is the second State which has taken up this scheme after the State of Jammu and kashmir where it has been tried for the first time. Under this scheme, the trainers are given special training to select and train entrepreneurs. It is trainers' responsibility to help the entrepreneurs in obtaining loan machinery, arrange marketing and continue to help him till he reaches a break - even point.

The problem of each entrepreneur will differ from the other and it is difficult to lay down any hard and fast time that will be required to set up the project. It is not true as published in the newspaper, that the Government has fixed a target of 2, 160. Government will naturally, try to train up and established as many number as possible. Moreover, it is the intention of the Government to train up another set of officers as soon as the S. I. E. T. is free to come for the training of the second batch and post them in six other centres in the State of. Assam.

To co - ordinate this work at the State level no new Deptt. or Directorate was created but the planning and Development Deptt. was co-ordinating with existing Staff. Natu-

rally there were some initial hardles - Heads of Accounts has to be created, money has to be found out by borrowing from the Contingency Fund, new budget heads had to be opened, houses hired, staff appointed, office paraphernalia arranged etc. It is true, that financial difficulties were there but, there was no red tape as stated in the News Item. The work has been taken up with the maximum speed and inspite of difficulties, the officers at the centres are generally taking up the work with right earnest.

This is not true as stated in the News Item that, financial power has not been delegated. This has been communicated on 27.10.1973. About re-orientation of officers etc. the question will definitely be taken up after we have successfully trained entrepreneurs in our own State and they gain experience. Steps are also being taken to provide vehicle, telephone, etc. but this has been delayed as the matters are not entirely in the hands of the Government of Assam.

It may also be pointed out that, another important feature of the scheme is that, 60 per cent of the training will be given to people of the deprived classes namely, Scheduled Caste, Scheduled Tribes and other Backward Classes. Preference will also be given in choosing entrepreneurs of families having no earning member, families having less than two bighas of land, war widows and dependents of war deads, physically handicapped, etc., so that the socialistic objective of the Government is served.

**Shri Dulal Chandra Barua** :—Sir; the scheme is no doubt a good one. But I want to know one thing from the hon. Chief Minister : Unless indications are available from a survey report to be prepared by the Industries Department as to what will be the nature of industries to be set up in the State and this knowledge is made available to the entrepreneurs, how this scheme will be successful ?

I understand that no survey report has been prepared by the industries Department about the nature of industries that will come up and the nature of training to be imparted. Secondly, whether the persons who have been trained under the scehme have been given indication as to the nature of training they are to impart and how financial assistance will be made available to the entrepreneurs, and who will supervise the industrial development in the State.

**Shri Sarat Chandra Sinha. (Chief Minister)** :—These are matters of administrative details. But so far as the officers are concerned, they have been trained in two aspects; one is motivation and the other is setting up of industries suitable for the locality and also for the entrepreneurs selected. So, these things they will have to see. Although there had not been any thorough survey about the feasibility of a particular industry for a particular place, it will be the responsibility of the officers trained in this regard.

**Shri Dulal Chandra Barua** :—What about the financial aspect? Whether that aspect has been taken into consideration? Finance is standing in the way of our entrepreneurs and therefore, I want to know whether any agency has been set up to give financial assistance to these people.

**Shri Sarat Chandra Sinha** :—The finance for this scheme has been arranged. For certain schemes funds will be available from the Industries Department and for others funds will be available under the Half-a-million job scheme.

**Shri Premadhar Bora** :—Was any contradiction issued from the side of Government to the news item?

**Shri Sarat Chandra Sinha** :—Sir, a lot of news item appear in the newspapers and if every news item is to be contradicted, the Govt. will have to establish a Contradiction Deptt., but we do not like to have such a Department.

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ ৩০১ নিয়ম অনুযায়ী ৰাজ্যখনৰ আটাইতকৈ ভয়াবহ আৰু আতঙ্কগ্ৰস্ত বিষয়টো সদনত আলোচনাৰ্থে আৰু ইয়াৰ যথাযথ সমাধান পোৱাৰ অৰ্থে উত্থাপন কৰিলো। বিষয়টো ১৮ নবেম্বৰ তাৰিখে দৈনিক অসমত প্ৰথম পৃষ্ঠাত প্ৰকাশিত হৈছে। প্ৰকাশিত বিষয়টো এই "পৃথিবীৰ ভিতৰত অসমতে কেন্সাৰ আটাইতকৈ বেছি"।

অধ্যক্ষ মহোদয়, যিখিনি মানুহে এতিয়ালৈকে হাস্পতালবোৰত বিশেষকৈ ডিব্ৰুগড় আৰু গুৱাহাটী দুখন বিশ্ব বিদ্যালয়ত থাকি নাম ৰেজিষ্টাৰ কৰি চিকিৎসা চলাইছে সেই সকলৰ হিচাবমতে গোটেই পৃথিবীতে তুলনা কৰি দেখোৱা এইটো হিচাব এতিয়ালৈকে আমাৰ অসম ৰাজ্যখনত হাস্পাতালত আচলতে নাম ৰেজিষ্টাৰ নকৰা আৰু চিকিৎসা নোপোৱা বাবে কেন্সাৰ ৰোগী আছে। অকল চৰকাৰী চিকিৎসালয়ত চিকিৎসা কৰি থকা লোকেই নহয় ইয়াৰ বাহিৰেও বহুতো সংখ্যক বহুতো বেছি সংখ্যক কেন্সাৰ ৰোগী ৰাজ্যখনৰ চুকে-কোনে আছে, সেইবিলাকৰ হিচাব কৰিলে আৰু বেছি হব।

কোৱা বাহুল্য হব যে ৯ বছৰ বয়সৰ লৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বহুতো লোকৰ গাত এই বেমাৰ বিয়পি পৰিছে। আচৰিত কথা যে আমাৰ ৰাজ্যত এই বেমাৰ আজি পৃথিবীৰ ভিতৰত আটাইতকৈ বেছি। কিন্তু পৃথিবীৰ ভিতৰত ইয়াতে কেন্সাৰ ৰোগৰ চিকিৎসাৰ পৃথিবীৰ ভিতৰত আটাইতকৈ কম। অসমৰ বহুতো কেন্সাৰ ৰোগী কলিকতা, বোম্বে, ভেলোৰ আদিত চিকিৎসা কৰাটো সম্ভৱপৰ নহয়। সেই কাৰণে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আৰু ৱৰ্ল্ড হেল্থ অৰ্গেনাইজেচনৰ পৰা অনুদান বিচাৰি অসমত এই চিকিৎসাৰ আশু ব্যৱস্থা কৰিব লাগে। কিন্তু আজিলৈকে তেনে কোনো ব্যৱস্থা নকৰাটো অতি পৰিতাপৰ বিষয়।

এই বিষয়টো এই কাৰণেই গুৰুতৰ যে অসমৰ জনসাধাৰণে আজি প্ৰাণ বচাবলৈ সক্ষম হবলৈ চৰকাৰে ইয়াৰ কাৰণে অসমতা প্ৰকাশ কৰিছে আৰু সুদৃঢ়ভাৱে চিন্তা বা ব্যৱস্থা কৰা নাই অসমৰ ৰাইজে আতঙ্কগ্ৰস্ত হোৱাতো কোনো আচৰিত কথা নহয়। এই দায়িত্বপূৰ্ণ বিষয়টো জনসাধাৰণৰ স্বাৰ্থৰ ফালৰ পৰা সদনৰ আগত উত্থাপন কৰিছো যাতে ইয়াৰ যথাযথ ব্যৱস্থা হয়।

শ্ৰীছত্ৰসিং টেৰণ :— অধ্যক্ষ মহোদয়, ১৮ নৱেম্বৰৰ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "পৃথিৱীৰ ভিতৰত অসমতে কেন্সাৰ আটাইতকৈ বেছি" বাতৰিটোৰ সন্দৰ্ভত মই জনাব খোজোঁ যে বহু বিশেষজ্ঞ আৰু ডাক্তৰৰ মতে অসমত কেন্সাৰ ৰোগীৰ মাত্ৰা অন্যান্য ৰাজ্যৰ তুলনাত বেছি কিন্তু কোনো পুঙ্খানুপুঙ্খ জৰীপ কৰা হোৱা নাই। কেন্সাৰ ৰোগীৰ চিকিৎসা আজি ভাৰতত প্ৰয়োজন অনুসাৰে কম; অসমৰ অৱস্থাও সন্তোষজনক নহয়। চৰকাৰে গুৱাহাটী আৰু ডিব্ৰুগড় মেডিকেল কলেজ হাস্পাতালত ইয়াৰ চিকিৎসা ব্যৱস্থা ৰাখিছে। গুৱাহাটী আৰু ডিব্ৰুগড় মেডিকেল কলেজ হাস্পাতাল কৰা-টথিৰাপি আৰু ডিপ এক্সৰেৰ জৰিয়তে কেন্সাৰ ৰোগৰ চিকিৎসা কৰাৰ ব্যৱস্থা আছে। ৰেডিওলজিৰ জৰিয়তে কেন্সাৰ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত লোকক অধিক লোকক সা-সুবিধা দিবৰ বাবে এই বিভাগটো দুটা বিভাগত ভাগ কৰা হৈছে। এই বিভাগ দুটা হ'ল ডায়েগনা হজমু আৰু থিৰাপি। ইয়াৰ দ্বাৰা চিকিৎসা কৰাৰ উপৰিও মেডিকেল কলেজ হাস্পাতালত চাৰ্জিকেলৰ ব্যৱস্থা কৰা হৈছে। ৰোগীক চিকিৎসাৰ সুবিধাবোৰ দিয়াৰ উদ্দেশ্যে মাদ্ৰাজৰ কেন্সাৰ ইন্সটিটিউটৰ লগত যোগা-যোগ কৰি ১৯৬৭-৬৮ চনত কেইখন মান বিচনা অসমৰ ৰোগীৰ কাৰণে আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা আছে। তেওঁলোকক প্ৰথম বছৰত ১০ হাজাৰ টকা সাহাৰ্য্য দিয়া হৈছে। তাৰ পিচত বছৰৰ পৰা প্ৰতি বছৰে ২৫ হাজাৰ টকা সাহাৰ্য্য দি অহা হৈছে। মাদ্ৰাজ কেন্সাৰ ইন্সটিটিউটত ১০ খন বিচনা হৈছে আৰু অসমৰ পৰা যোৱা ৰোগী সকলক চিকিৎসাৰ ক্ষেত্ৰত সহায় কৰে। ইয়াৰ উপৰিও গুৱাহাটীৰ লোকবন্ধু ভুবনেশ্বৰ বৰুৱা কেন্সাৰ হাস্পাতাল স্থাপন কৰা সংক্ৰান্তত ১৯৬৭-৬৮ চনৰ পৰা অধিক অনুদান সাহায্য আগবঢ়োৱা হৈছে। এতিয়ালৈকে প্ৰায় চাৰে সাতলাখ টকা আৰ্থিক সাহায্য এই কেন্সাৰ হাস্পাতাল প্ৰতিষ্ঠাৰ কাৰণে দিয়া হৈছে। এই বছৰৰ বাজেটৰ পৰা ৩ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰে এই হাস্পাতাল পতাৰ সংক্ৰান্তত বম্বেৰ টাটা ইন্সটিটিউটৰ চেক্ৰেটেৰীৰ লগত যোগা-যোগ কৰি দিহা পৰামৰ্শ লৈছে।

Item No.4.

**Shri Md. Idris, Minister** — Sir, I beg to lay the Annual Report, 1972-73 of the Assam Hills Small Industries Development Corporation Ltd.

## OBITUARY REFERENCES

Item No. 5.

**Shri Sarat Chandra Sinha, (Chief Minister)**—Sir, we mourn the death of Shri Debeswar Rajkhowa, former member of our Legislature. In his death, we lost a good social worker, a freedom fighter and popular leader. He was born in November, 1906. He had his education at Golaghat and Gauhati. After passing the Law Examination he had been practising law at Golaghat.

Shri Rajkhowa joined the Congress in 1931. He was a Member of the Assam Pradesh Congress Committee since 1932 except for a brief break. He was also a member of the Golaghat Municipal Board from 1931-53 and of Golaghat Local Board from 1932-54.

Shri Rajkhowa was Secretary of the Golaghat District Congress Committee from 1937-45 and then its President from 1946-52. He was sentenced to rigorous imprisonment and fined for participating in freedom struggle. He was elected to Assam Legislative Assembly in 1952.

Shri Rajkhowa was a popular figure in public life at Golaghat. He was associated with many social and cultural organisations. He was loved and respected by all sections of the people for his amiable nature and good behaviour.

He passed away on November 21, 1973 at the age of 71. we convey our condolence to the bereaved family.

**শ্রীসোনেশ্বৰ বৰা:** অসম বিধান সভাৰ ভূতপূৰ্ব সদস্য, সমাজ কৰ্মী আৰু বিশেষকৈ মোৰ নিজৰ চুবুৰীয়া লোক দেবেশ্বৰ ৰাজখোৱাৰ মৃত্যুত মই আৰু মোৰ দলৰ ফালৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছো। তেখেতৰ মৃত আত্মাৰ সদগতি কামনা কৰিছো আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছো

* **Shri Gaurisankar Bhattacharyya** : --Sir, we also associate ourselves with the motion of condolence. As you know, Sir, he was a member of this House with you, myself, Md. Umaruddin and few others and in our association for 5 years we found him always amiable and a man of sweet reasonableness. He was not so much of an orator, but his understanding and judgement was so sound that we used often to take his counsel on important matters. Till his death he was serving the country in different capacities. He was, at the time of his death the Government Advocate of Golaghat and even at this advanced age he was helping us in conducting the Government brief in the *Pathak* Commission. He continued to be hard working even at this advanced age and toured intensively the interior places which were torn by the last riots. In his death we have lost a valient freedom fighter and a servant of the people. We condole his death and convey our deep sense of sorrow and condolence to the members of the bereaved family.

Item No. 5:

**Shri Promode Chandra Gogoi** :

Mr. Speaker Sir, we condole the death of Shri Debeswar Rajkhowa. Shri Rajkhowa was a former member of this House and he actively participated in the freedom movement of our country. At the death of Shri Rajkhowa our State has lost a valuable fighter for the cause of the people. I convey my condolence to the members of the bereaved family.

**মিঃ স্পীকাৰ** : শ্ৰীদেবেশ্বৰ ৰাজখোৱা মৃত্যুত সদনৰ অন্যান্য সদস্য আৰু নেতা সকলৰ সতে মেয়ো আন্তৰিক সমবেদনা জনাইছো, শ্ৰীৰাজখোৱা আছিল সুপৰিচিত দেশপ্ৰেমিক। ১৯৩০ চনতে তেওঁ কংগ্ৰেছত যোগ দিছিল। দেশৰ স্বাধীনতাৰ কাৰণে আন্দোলনত জপিয়াই পৰি জৰিমনাৰে সৈতে কাৰাবৰণ কৰিছিল।

১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে দেৰগাওঁ সমষ্টিৰ পৰা অসম বিধান সভালৈ তেওঁ সদস্য নিৰ্বাচিত হৈছিল। তেখেত গোলাঘাটৰ লোকেল বৰ্ডৰ আৰু মিউনিচিপালিটিৰো সভ্য আছিল।

তেখেতৰ মৃত্যুত এজন প্ৰকৃত দেশ প্ৰেমিক আৰু সমাজ সেৱীক হেৰুৱাই তেওঁখতৰ শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছো।

এতিয়া মই মাননীয় সদস্য সকলক নিজ নিজ আসনত নীৰৱে দুই মিনিট সময় থিয় হৈ মৃতকৰ আত্মাৰ সদগতিৰ প্ৰতি সন্মান জনাবলৈ অনুৰোধ কৰিছো।

**Shri Dulal Chandra Baruah :** Sir, on that I raised about the demonstration that has been made by the City Bus Employees Union of Gauhati and the Minister in-charge replied that he will enquire into the matter, may I know what is the latest development and whether the Minister in-charge will apprise us about the situation ?

**Shri Harendra Nath Talukdar :** ( Minister Transport ) Yes Sir, I can give it

**Mr, Speaker :** He will give it in tomorrow' s agenda.

**Shri Charan Narzary :** Sir, the plains tribal people have started fasting in front of the Assembly House there outside, Their demand is about the police repression on the innocent plains tribals people. Their fathers and brothers are in the police custody at the time of paddy harvesting and some of the students are also there who are to appear in the ensuing annual and final examination.

**Shri Dulal Chandra Baruah :** Sir, this is a serious matter. Earlier also I for adjournment motion about the police atrocities at Kokrajhar. They now have launched a fasting in front of the Assembly. Sir, this is not a matter of joke. Therefore Sir, are not entitled to demand for a Statement on this by the Chief Minister ?

**Shri Sarat Chandra Singha ( chief Minister )** I have no objection to make a statement.

## RULING BY THE SPEAKER

**Mr. Speaker :** I am going my Ruling.

On 22. 11. 73 Hon. Member Shri Charan Narzari tabled an adjournment motion for discussing the situation arising out of the alleged reign of terror let loose by the Police through indis-

criminate raids, beating and attrocities perpetrated on the innocent villagers of the Kokrajhar Sub-division,

In support of the motion Shri Narzari said that the motion fulfilled all the requirements of the Rules' viz – the matter was a recent occurrence and that owing to the day and night harrassment and attrocities of the Police the Situation became a matter of great public importance. He has also contended that there has been no discussion of this matter in the current session and that there would also be no opportunity shortly for the House to discuss this matter. Accordingly he submitted that since the normal life of the villagers had totally been paralysed due to police attrocities the matter raised in the motion was a specific matter of great public miportance and the House should be adjourned to discuss the matter.

Supporting the adjournment motion, Shir G. S. Bhattacharyya asserted that the matter raised in the motion was of recent occurrence and also a specific matter of great public importance. He also described the situation at Kakrajhar as very serious requiring immediate intervention of the House. Basing on the contents of the telegram purported to have been sent to the Governor, Shri Bhattacharyya characterised the situation as 'unprecedented' and demanded that the adjournment motion should be admitted and House should discuss the matter raised in the motion for ascertaining the truth or otherwise of the alleged attrocities with a view to keeping the House informed of the real state of affairs and developments that have taken place at Kokrajhar as well as affording opportunity to the people of Assam to know what has actually been going on there.

Shri Dulal Ch. Baruah also supported the motion and contended that the motion fulfilled all the requirements of the Rules. He has also referred to a number of observations made in this regard by some authorities and lastly he quoted from the Practice and Procedure of Parliament by Kaul and Shakdher at page 433, where in it has been observed that "...........when a policy and attitude of the Govt. may become a matter of public importance "

This observation has been made with reference to a particular issue and that is with regard to "the attitude of the Government as disclosed by replies to a question relating to a scurrilous article in a newspaper regarding Mahatma Gandhi ", " raids and arrests in several parts of India ", etc. These are not relevant to tha instant case which is confined to a particular locality involving maintenance of law and other.

I have also heard the contentions of the Minister, Parliamentary Affairs who opposed the motion. He has quoted same authorities which are relevant to the point at issue.

It has been held that the subject matter of an adjournment motion must invlove more than ordinary administration of law. The speeches of the Hon. Members reveal that the alleged attrocities have been perpetrated for the purpose of enforcing ordinary law and other and in a case where no more than the maintenance of law and order involved is not a fit subject for an adjournement motion. An adjournment motion shouJd not be looked upon as a device for raising discussion on any important matter. There are various opportunities under the ordinary procedure as referred to by the Minister, Parliamentary Affairs. The admissibility of an adjournment motion depends on the urgency of the matter and the test of urgency as defined by different authorities has been quoted by the Minister, Parliamentary Affairs and so I need not repeat the same. It can therefore be held that an adjournment motion is admissible only when a sudden emergency arises which affects the entire country where it is necessary to leave aside all other business in order to discuss a subject which brooks no delay and where no ordinary parliamentary opportunity is available.

In the circumstances, I am constrained to disallow the motion, However, considering the alleged seriousness of the situation, I would request the Chief Minister to make a statement on this matter at the earliest opportunity.

**Item No. 6.**

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—মাননীয় অধ্যক্ষ মহোদয়,

(অধ্যক্ষৰ আসনত উপাধ্যক্ষ বহে)

উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই আমাৰ ৰাজ্য খনৰ উদ্যোগ বিলাক বিশেষকৈ কটেজ আৰু স্মল উদ্যোগ ইনদ্ৰষ্টিক সগায় কৰাৰ কাৰণে ধাৰে দিয়া পদ্ধতি পৰিবৰ্ত্তণ কৰাৰ কাৰণে এই আলোচনা উথাপন কৰিছো।

উপাধ্যক্ষ মহোদয়, ইয়াৰ আগতে অসমৰ নিবনুৱা সকলক সংস্থাপন কৰাৰ কাৰণে আৰু সৰু সৰু উদ্যোগ গঢ় দিয়াৰ কাৰণে ৰাজ্য চৰকাৰে উদ্যোগ বিভাগৰ পৰা টকা ধাৰে দিয়াৰ কথা ঘোষণা কৰিছিল। আৰু ইতিমধ্যে যথেষ্ট টকা চৰকাৰৰ পক্ষৰ পৰা বিভিন্ন নিবনুৱা ডেকা সকলক আৰু যি সকলে উদ্যোগ কৰিব বিচাৰে তেনে লোকক দিয়া হৈছিল।

এই বিলখন উথাপন কৰোতে আমি আশা ৰাখিছো যে উদ্যোগ মন্ত্ৰীয়ে এতিয়ালৈকে যিখিনি টকা ধাৰ দিছিল সেই টকা খিনি কি ভাবে ব্যৱহাৰ কৰা হৈছে আৰু তাৰ দ্বাৰা আমাৰ প্ৰদেশত সৰু সৰু নতুন উদ্যোগ গঢ়ি তোলা হৈছেনে নাই ? ইয়াৰ এটা বিবৰণ দিয়াটো নিতান্তই প্ৰয়োজন আছে। এই কথাও মই জানো যে ইয়াৰ আগতে যি ভাবে উদ্যোগ গঢ়ি তোলাৰ কাৰণে টকা ধাৰে দিয়া হৈছিল সেই ক্ষেত্ৰত যথেষ্ট পক্ষপাতিতামূলক আচৰণ চৰকাৰৰ ফালৰ পৰা কৰা হৈছিল বুলি আমি অভিযোগ পাইছো। মই নিজে এই ক্ষেত্ৰত কেইটামান দৃষ্টান্তৰ কথা জানো। আৰু এই কথা কব পাৰো যে উদ্যোগ স্থাপন কৰাৰ কাৰণে নিবনুৱা ডেকাসকলক টকা ধাৰে দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ বিভাগসমূহৰ কৰ্ম্মকৰ্ত্তাসকলে অনেকখিনি বৈষম্যমূলক আচৰণ কৰাতো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই কাৰণে এই কথা আমি বিবেচনা কৰি চাব লাগিব যে নিবনুৱা হলেও যিসকলৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া, যি সকলৰ আৰ্থিক অৱস্থা টনকিয়াল নহয়—অথচ তেওঁলোকে নিজে শিল্প আৰম্ভ কৰিব পাৰে সেই সকলৰ প্ৰতি চৰকাৰে এটা সহানুভূতি দৃষ্টিভঙ্গী দেখুৱাটো নিতান্ত প্ৰয়োজন। সেইকাৰণে যদিও টকা ধাৰে দিয়াৰ ক্ষেত্ৰত

চৰকাৰী নীতি হিচাবে জিলাভিত্তিত বিকেন্দ্ৰীকৰণ কৰাৰ উদ্দেশ্য আছে বুলি লিখনত কোৱা হৈছে তথাপিও এই কথা আমি উদ্যোগ মন্ত্ৰীৰ পৰা জনা নাই যে কি ভাৱে বিতৰণ ব্যৱস্থা কৰিবলৈ ওলাইছে আৰু কি ভাৱে বিকেন্দ্ৰী কৰণৰ ব্যৱস্থা জিলাভিত্তিত কৰা হব ? যি পদ্ধতি আগত ৰাখি এই টকা ধাৰে দিয়া ব্যৱস্থাটো চৰকাৰে কৰিব বিচাৰিছে আৰু এই ক্ষেত্ৰত যিহেতুকে আমাৰ উদ্যোগমন্ত্ৰী ডাঙৰীয়া নিজে আজি বিজুলী বিভাগৰ মন্ত্ৰীও-আজি কেই বছৰমান আগতে যেতিয়া আমাৰ প্ৰদেশৰ বিভিন্ন অঞ্চলত ধানকল বিলাক আৰম্ভ কৰাৰ কাৰণে চৰকাৰে যোগান বিভাগৰ ফালৰ পৰা পাৰ্মিট দিছিল। বহুতো ঠাইত এতিয়ালৈকে এই ধানকল বিলাক আৰম্ভই কৰিব পৰা নাই আৰু তাৰ প্ৰধান কাৰণ হৈছে সেই বিলাক ঠাইত এতিয়ালৈকে বিজুলীশক্তি যোগানৰ ব্যৱস্থা কৰাই নাই। তাৰোপৰি উদ্যোগৰ পাৰ্মিট পোৱা বহুতো লোকক তেওঁলোকৰ অঞ্চলত বিজুলীশক্তি যোগান ধৰাৰ কাৰণে আৰু তেওঁলোকক সকলো সুবিধা দিয়াৰ কাৰণে বহুত দিন ধৰি এই বিভাগৰ লগত যোগাযোগ কৰা স্বত্বেও আজিলৈকে একো নহল। বিশেষকৈ নগৰ অঞ্চলতেই বহুত দৃষ্টান্ত আমি পাইছো। গাওঁৰ কথা বাদেই। সেইকাৰণে টকা ধাৰ দিয়াৰ একমাত্ৰ উদ্দেশ্য হল কি দৰে ব্যৱহাৰ কৰিছে। অকল সেয়ে নহয়-তাৰ লগত এই উদ্যোগবিলাক আৰম্ভ কৰাৰ কাৰণে যিখিনি ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰা দৰকাৰ সেইখিনি সুবিধা দিয়া হোৱা নাই। বিশেষকৈ বিজুলীশক্তিৰ ক্ষেত্ৰত। উদ্যোগ বিলাকৰ যি ব্যৱসায় এই ব্যৱসায়ৰ ক্ষেত্ৰতো একো কাম নোহোৱাৰ কাৰণে আজি আমাৰ প্ৰদেশত এনে শোচনীয় অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰৰ যদি সুবিধা দিয়াত আৰু ব্যৱসায়ৰ ক্ষেত্ৰত জোৰেৰে প্ৰচেষ্টা নচলায় তেনেহলে এই উদ্যোগবিলাকে কেতিয়াও গা কৰি উঠা টান। এইক্ষেত্ৰত আমি দেখিছো—আজিকালি বহুতো সৰু সৰু উদ্যোগ কৰা হৈছে—যি বিলাকৰ ব্যৱসায় কেৱল উৎপাদন কৰা=

সেইবিলাকে আজি তেওঁলোকৰ ন্যায্য মূল্য নোপোৱাৰ কাৰণে মুকলি বজাৰত প্ৰতিযোগীতাত এই উদ্যোগবিলাক জিকাতো টান হৈ পৰিছে। সেই কাৰণে এই সৰু সৰু উদ্যোগবিলাকক টকা ধাৰে দিয়াৰ লগে লগে যাতে এই উদ্যোগবিলাকে গা কৰি উঠিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক বিজুলীশক্তি যোগান ধৰাৰ যি ব্যৱস্থা লগতে তেওঁলোকে উৎপাদন কৰা বস্তুবিলাকৰ প্ৰাপ্যমূল্য- পোৱাৰ যি সুবিধা - সেই সুবিধাখিনি চৰকাৰৰ ফালৰ পৰা দিয়াটো নিতান্ত প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, এই কথা আমি দেখিছো-আমি আমাৰ উদ্যোগিকসকলক কওঁ-আমাৰ প্ৰদেশত সৰু সৰু উদ্যোগ কৰা আৰু এইটো কথাও সচা যে এখন প্ৰদেশ বা এখন দেশ আগবঢ়া হবলৈ হলে একমাত্ৰ উপায় হল ডাঙৰ ডাঙৰ উদ্যোগবিলাক চৰকাৰৰ নিয়ন্ত্ৰণাধীনত ৰখা। কিন্তু আমাৰ প্ৰদেশ এই ডাঙৰ উদ্যোগবিলাকেই দেশৰ মূল ভেটি হলেও তাৰ লগতে সৰু সৰু উদ্যোগবিলাকেও গঢ়ি উঠিব লাগে- যিবিলাকৰ দ্বাৰা এই দেশখনৰ অৰ্থনৈতিক বিকাশত যথেষ্ট সহায় হয় আৰু অন্যহাতে এই উদ্যোগবিলাকত আমাৰ দেশৰ নিবনুৱা যুবকসকলক নিয়োগ কৰিব পাৰি। এই ক্ষেত্ৰত আজি চৰকাৰৰ ফালৰ পৰা যিখিনি ব্যৱস্থা হাতত লৈছে সেই ব্যৱস্থাৰ ফল কি হৈছে? তাৰ এটা প্ৰতিবেদন সদনত দাখিল কৰা উচিত।

উপাধ্যক্ষ ডাঙৰীয়া এইটো কথাও আমি লক্ষ্য কৰা উচিত হব যে আমাৰ প্ৰদেশৰ যি খণ্ডত সৰু সৰু উদ্যোগ কৰাৰ কাৰণে সম্পত্তি যথেষ্ট আছিল তাতেই আজি এই উদ্যোগ বিলাক গা- কৰি উঠিব পৰা নাই। উপাধ্যক্ষ ডাঙৰীয়া, আজি সদনত বনবিভাগৰ এটা প্ৰশ্ন উত্থাপন হৈছিল যে আমাৰ অসমত যি বিলাকত বনবিভাগে কনচেচন দিয়ে, য'ত কাঠৰ কাৰখানা আছে তাৰ মালিক কোন? অসমত বহুতো সৰু সৰু কাৰখানা আছে, তাৰ ভিতৰত ডাঙৰ কাৰখানাৰ মালিক হল ইংৰাজ আৰু বিৰলা কোম্পানী। এই ডাঙৰ কোম্পানী দুটাক অসমৰ পৰা কাঠ যোগান দিওঁতে যিখিনি

সুবিধা দিছে বাকীবিলাকক সেই সুবিধা দিয়া হোৱা নাই। তাৰ ফলত এই ডাঙৰ কোম্পানী দুটাৰ লগত আমাৰ প্ৰদেশৰ সৰু সৰু স্থানীয় কাৰখানাবিলাক প্ৰতিযোগিতাত জিকিব পৰা নাই। এই কথা আমাৰ এতিয়া স্পষ্ট হোৱা নাই যে এই উদ্যোগবিলাকৰ ৰয়েল্টিৰ ক্ষেত্ৰত চৰকাৰে যিখিনি কনচেচন দিছে সেই একে ধৰণে স্থানীয় কাৰখানা বিলাকত কনচেচন দিয়া হৈছে নে? আমি জানো যে আমাৰ প্ৰদেশত বিৰলা আৰু ইংৰাজৰহে প্ৰাইভেট ফেক্টৰী আছে। সেইবিলাক চৰকাৰৰ পক্ষৰ পৰা যিমান সুবিধা দি আছে আমাৰ প্ৰদেশত থকা সৰু সৰু ফেক্টৰীবিলাকক চৰকাৰৰ ফালৰ পৰা তেনে কোনো সাহায্য দিয় হোৱা নাই।

দ্বিতীয়তে ইয়াৰ বাহিৰেও আমাৰ চৰকাৰৰ যোগান বিভাগৰ ফালৰ পৰা হুলাৰচেলাৰ মেচিনৰ কাৰণে যিবিলাকক পাৰমিট দিয়া হৈছিল তাত কোৱা হৈছিল যে গাওঁ অঞ্চলৰ নিবনুৱাসকলৰ এটা ভাল সংস্থাপন হব আৰু আমাৰ প্ৰদেশত যিবিলাক সৰু সৰু ধানকল বা আটা, ময়দা বনোৱা কল আৰম্ভ কৰিছিল সেই বিলাকৰ ক্ষেত্ৰত দেখা যায় ডাঙৰ ডাঙৰ মালিকসকলৰ প্ৰতি যিখিনি সহানুভূতি দেখুৱাই আৰু যিখিনি সুবিধা দিয়ে সেইখিনি সহানুভূতি আৰু সুবিধা সৰু সৰু মালিকসকলক দিয়া দেখা নগল। গতিকে এই সৰু সৰু উদ্যোগ একোতা পাতি দিয়াই যথেষ্ট নহয়-এই-বিলাকে যাতে গা কৰি উঠিব পাৰে আৰু বিশেষকৈ তেওঁলোকৰ মিলত তৈয়াৰ কৰা বস্তুবিলাক বেচা-কিনাৰ এটা ব্যৱস্থা হয় তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি থকা নিতান্ত প্ৰয়োজন। যদি এই বজাৰৰ ব্যৱস্থা কৰি দিয়া নহয় তেনেহলে সৰু সৰু উদ্যোগবিলাক মুকলি বজাৰত তিকি থকা সম্ভৱপৰ নহয়। সেই কাৰণে আমাৰ প্ৰদেশত উদ্যোগপতিসকল অন্যান্য ফালৰ হে বেছি।

উপাধ্যক্ষ মহোদয়, আমাৰ প্ৰদেশত কৈ কিছুমান প্ৰদেশত কুটিৰ শিল্প বেছি। তাৰ ভিতৰত পঞ্জাব আৰু দক্ষিন ভাৰততে বেছি। এই প্ৰদেশ বিলাকত সৰু সৰু উদ্যোগ গঢ়ি উঠাৰ কাৰণ কি? আজি

আমি দেখিবলৈ পাইছো যে, আজি পঞ্জাবত প্ৰত্যেক গাঁৱতে, প্ৰত্যেক নগৰতে সৰু সৰু উদ্যোগ বিলাক গঢ়ি উঠিছে এটা অন্যতম কাৰণ হ'ল যে পঞ্জাবত প্ৰায় শতকৰা ৮০ খন গাঁৱতে বিজুলী শক্তি আছে সেই কাৰণে তাত এনেকুৱা ধৰণৰ উদ্যোগ বিলাক কৰিব পাৰে আৰু কৰাৰ সুবিধা হয়। কিন্তু আমাৰ প্ৰদেশত যদি আমি তুলনা কৰি চাওঁ তেতিয়াহলে আমাৰ প্ৰদেশত ২৫ হাজাৰ গাঁৱৰ ভিতৰত এতিয়ালৈকে এক হাজাৰ গাঁৱলৈ বিজুলী শক্তি গৈছেনে নাই? এই কথা খাটাং কৰি কব নোৱাৰো। আৰু সেই কাৰণে অন্যান্য প্ৰদেশত যি বিলাক সৰু ডাঙৰ শিল্প সম্প্ৰসাৰিত হৈছে সেই শিল্প বিলাক আমাৰ প্ৰদেশত সম্প্ৰসাৰিত হোৱা নাই। ইয়াৰ কাৰণ হৈছে আমাৰ প্ৰদেশত সৰহভাগ ঠাইত বিজুলী শক্তি সম্প্ৰসাৰণ কৰিব পৰা নাই। যদি আমাৰ প্ৰদেশৰ সৰহ ভাগ অঞ্চলতে বিজুলী শক্তি সম্প্ৰসাৰণ কৰিব পৰা হয় তেনেহলে আমাৰ নিবনুৱা সকলেও তেওঁলোকে যি টকা চৰকাৰৰ পৰা পায় সেই টকা সৰু সৰু উদ্যোগ প্ৰতিষ্ঠা কৰাত খৰচ কৰিব পাৰিব।

উপাধ্যক্ষ মহোদয় আজি আমি দেখিবলৈ পাওঁ যে, কেন্দ্ৰীয় চৰকাৰে বিভিন্ন প্ৰদেশত সৰু সৰু উদ্যোগ আৰম্ভ কৰাৰ কাৰণে যি বিলাক আচনি তৈয়াৰ কৰিছে সেই আচনি বিলাকৰ ভিতৰত আমাৰ প্ৰদেশৰ আচনি বৰ কম। আমাৰ প্ৰদেশৰ আচনি অন্তৰ্ভুক্ত নোহোৱাৰ কাৰণে, আমি সাধাৰণতে আলোচনা কৰাৰ সময়ত চৰকাৰৰ পক্ষৰ পৰা কোৱা হয় যে, তেনেকুৱা ধৰণৰ উদ্যোগ স্থাপন কৰাৰ বাবে আমাৰ ইয়াত মানুহ কম। এই কথাটো সত্য নহয়। ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগৰ পৰা তেনেকুৱা ধৰণৰ উদ্যোগ আৰম্ভ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যথেষ্ট পৰিমাণে আচনি দিয়া হোৱা নাই। এই কথা বোধকৰো মন্ত্ৰী মহোদয়ে অস্বীকাৰ কৰিব নোৱাৰে। কাৰণ অন্যান্য প্ৰদেশত এনেকুৱা ধৰণৰ সৰু সুৰা উদ্যোগ আৰম্ভ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আচনিয়ে হওক বা টকাৰ কাৰণৰ পৰাই হওক মঞ্জুৰী কৰাৰ কাৰণে যি ভাবে আচনি দিয়া হয় আমাৰ ৰাজ্যচৰকাৰে বিশেষকৈ অসম চৰকাৰে তেনেকুৱা

ধৰণৰ আচনি দিয়াৰ ক্ষেত্ৰত যথেষ্ট গাফিলতি দেখা গৈছে। সেই কাৰণেই অন্যান্য প্ৰদেশৰ তুলনাত আমাৰ প্ৰদেশ অনুদান কম পোৱাৰ আন এটা কাৰণ হৈছে ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগৰ পৰা উপযুক্ত সময়ত যথেষ্ট পৰিমাণৰ আচনি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিয়া হোৱা নাই। সেইকাৰণে উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিশেষকৈ মই আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ পৰা আশা কৰিছো যে, যেতিয়াকৈ যি পৰিমাণৰ কাৰণে টকা ধাৰে দিয়া হৈছিল, সেই টকা খিনি কি পৰিমাণে ব্যৱহাৰ কৰা হৈছে ইয়াৰ ফলত উৎপাদন আমাৰ প্ৰদেশত বাঢ়িছেনে নাই, আৰু ভবিষ্যতে জিলাৰ ক্ষেত্ৰত যি পৰিমাণৰ ক্ষমতা বিকেন্দ্ৰী কৰণ কৰিবলৈ বিচৰা হৈছে আৰু কেনেকৈ বিকেন্দ্ৰীকৰণ কৰি এই টকা ধাৰে দিয়া ব্যৱস্থাতো কি ভাবে কৰিব বিচৰা হৈছে সেই বিষয়ে ৰাজ্যিক উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্ট উত্তৰ বা স্পষ্ট ব্যাখ্যা দিব বুলি মই আশা কৰিছো। এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীলীলাকান্ত দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শিল্প মন্ত্ৰী ডাঙৰীয়াই ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ শিতানত যি বিধেয়ক দাঙি ধৰিছে সেই বিধেয়ক মই সমৰ্থন কৰিছো। সেই বিধেয়কৰ বিধান মতে শিল্প মন্ত্ৰী ডাঙৰীয়াই বিকেন্দ্ৰীকৰণৰ ব্যৱস্থাৰে প্ৰত্যেক মহকুমাতে শিল্পসম্প্ৰসাৰণ কাৰণে যি সুবিধা দিয়াৰ প্ৰস্তাৱ আনিছে, ই আকাৰ নীতি আৰু আদৰ্শৰ ভিতৰত এটা অন্যতম অঙ্গ বুলি মই কব খুজিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ গোটেই ৰাজ্যখনতে যদি সকলো দিশতে উন্নতি কামনা কৰা হয় তেতিয়াহলে আমাৰ দেশৰ ক্ষুদ্ৰ শিল্প আৰু কুটিৰ শিল্পৰ ক্ষেত্ৰতো আমি বিশেষ গুৰুত্ব দিব লাগিব। কাৰণ ক্ষুদ্ৰ আৰু কুটিৰ শিল্পই অধিক মানুহ সংস্থাপিত হোৱাৰ এটা বিশেষ সুবিধা আনি দিয়ে আৰু আনহাতে ৰাজ্যৰ ৰাজহুৱা ভাৱে উৎপাদন বৃদ্ধি কৰাত সহায় কৰে। মহোদয়, এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্যণ

কৰি কব বিচাৰিছো যে, আমাৰ এই বিধেয়ক গ্ৰহণ কৰাৰ পিচত অহা বিত্তীয় বছৰটোৰ পৰা আৰম্ভ কৰি প্ৰতেক মহকুমাতে ঋণ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিব। সেই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে, আমাৰ ৰাজ্যখনত যিবিলাক মহকুমা শিল্পৰ ক্ষেত্ৰত একেবাৰে পিছপৰি আছে সেই অঞ্চল বিলাকত ক্ষুদ্ৰ আৰু বৃহত শিল্পৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব দিব বুলি আশা কৰিলো। যদি কৰা নহয়, তেনেহলে সমাজতান্ত্ৰিক ব্যৱস্থাত অগ্ৰসৰ হব নোৱাৰিম।

মহোদয়, আজি কিছুমান ঠাইত শিল্প গঢ়ি উঠিছে আৰু কিছুমান ঠাইত গঢ়ি উঠাৰ প্ৰস্তাৱ চলি আছে আৰু আমাৰ ৰাজ্যতে এনে কিছুমান ঠাই আছে যিবিলাকত আজিলৈকে কোনো ধৰণৰ শিল্পই প্ৰতিষ্ঠা হোৱা নাই। গতিকে এই অঞ্চল বিলাকত যাতে শিল্পৰ সম্প্ৰসাৰণ হয় তাৰ বাবে চকু দিব লাগে। অতি পিচপৰা সমূহত যাতে মঞ্জুৰী দিব পাৰে আৰু শিল্প প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে লক্ষ কৰিব লাগে। আৰু এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাহিৰেও ব্যক্তিগত খণ্ডত যিবিলাক শিল্প ঋণ দিয়া যায়, ঋণ লোৱাৰ উদ্দেশ্য কি কথাটো ভালকৈ চাই ঋণ দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো। মহোদয়, আমাৰ কিছুমান দোষ আছে। টেলিৰ মুৰত তেল বুলি এটা কথা আছে। টেলিৰ গা সদায় পিচল। গতিকে ঋণ দিয়াৰ ক্ষেত্ৰত এটা কথা সদায় ভালকৈ পৰীক্ষা নিৰীক্ষা কৰি চোৱা দৰকাৰ। যিটো অঞ্চলৰ যি জন মানুহৰ নামত ঋণ দিবলৈ যোৱা হয় সেই মানুহ জনৰ পৰিয়ালৰ আন কোনোবাই ঋণ লৈছেনে নাই সেইটো ভালকৈ লক্ষ কৰিব লাগে। এটা পৰিয়ালত দুজনক ঋণ নিদিবলৈ এইটো এটা নীতি হিচাবে গ্ৰহণ কৰিব লাগে। গতিকে এই পিচপৰা অঞ্চল বিলাকত শিল্প প্ৰতিষ্ঠা কৰি ৰাজ্যৰ উন্নতি কৰাৰ লগে লগে আমাৰ ৰাজ্যত দৰিদ্ৰতা সীমা ৰেখাৰ তলত যিবিলাক মানুহ আছে সেই সকলৰ অৱস্থাও উন্নত কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা উদাহৰণ দিব খুজিছো। সেইটো হেছে যে, যেতিয়া সৰু ধানকলবিলাকে হলাৰ চেলাৰ পাৰ্মিট বিছাৰিলে তেতিয়া একোটা ১৩।২০ হৰ্স পাৱাবৰ ধান কলেই শেষত ৫০ হৰ্স পাৱাৰৰ ধান কলত পৰিণত হলগৈ। এনেকুৱা উদাহৰণ আমাৰ বহুত ঠাইত আছে। গতিকে এনেবিলাক বিষয়ত চৰকাৰে বিশেষ ধৰণৰ তৎপৰতা অৱলম্বন কৰিব বুলি আশা কৰিলো।

তাৰ পিছত উপাধ্যক্ষ মহোদয়, গ্ৰাম্য আৰু কুটিৰশিল্পৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন অতি পিছপৰি আছে। আমাৰ ৰাজ্যখনত অন্যান্য পিছপৰা সম্প্ৰদায়, জনজাতীৰ লোক, অনুসূচীত জাতিৰ লোককে আদি কৰি যি সকল লোক-পিছপৰি আছে সেই সকলৰ মনত এটা আবেগিক অসন্তুষ্টিৰ ভাব সদায় আছে। সেই আবেগিক অসন্তুষ্টিৰ মূল কাৰণেই হল অৰ্থনৈতিক সমস্যা। এই পিছপৰা লোকসকলৰ যিটো আৰ্থিক দুৰৱস্থা আছে সেইটো আমি কেৱল বক্তৃতাৰ মাধ্যমেৰেই সমাধান কৰিব নোৱাৰিম। আমি যদি প্ৰকৃততে সমাজৰ এই পিছপৰা লোক-সকলৰ আৰ্থিক দুৰৱস্থা গুচাবলৈ চেষ্টা কৰো তেতিয়াহলে, আমি প্ৰথমতে সমাজৰ এই পিছপৰা লোকসকলৰ আৰ্থিক উন্নতি সাধনৰ ওপৰত গুৰুত্ব দিবলাগিব। যাতে এই আৰ্থিক উন্নতিৰ মাজেদি নিজকে প্ৰয়োগ কৰিব পাৰে আৰু সেইদৰে আমাৰ সমাজখনক আগ-বঢ়াই নিবপাৰোঁ। সেইকাৰণেই আমি পিছপৰা সম্প্ৰদায় আৰু পিছপৰা অঞ্চলসমূহত ক্ষুদ্ৰ আৰু বৃহত্ এই দুয়োবিধ উদ্যোগৰ ক্ষেত্ৰত বিশেষ সহায় আৰু সুবিধা আগবঢ়াব লাগিব। লগতে এইবিলাক ক্ষেত্ৰত প্ৰয়োজনীয় আৰ্থিক সাহাৰ্য্য আদিও আগবঢ়াব বুলি আশা কৰিছোঁ।

গ্ৰাম্য শিল্পৰ ক্ষেত্ৰত আমাৰ জনজাতি আৰু অন্যান্য পিছপৰা লোকসকলৰ ভিতৰত বহুত ধৰণৰ শিল্প প্ৰচলিত আছে। এই বহুমূলীয়া শিল্পবিলাক উদ্ধাৰ কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ ব্যৱস্থা হোৱা নাই। আমি যোৱা ২৬ বছৰেই এই শিল্পবিলাক বক্তৃতাৰ মাধ্যমেদিয়েই স্বীকাৰ কৰি আহিছোঁ। শোৱালকুচিৰ পাত-মুগা আৰু সৰ্থেবাৰীৰ কাঁহ-পিতলৰ বাচনবৰ্তন আদি তৈয়াৰ কৰা

এই দুটা উদ্যোগৰ বাহিৰে আমি অসমৰ বিভিন্ন জেগাত সিচৰিত হৈ থকা অন্যশিল্প বিলাকৰ প্ৰতি বিশেষ মনোনিবেশ কৰা নাইকীয়া। উজনী অসমৰ শিল্প বিলাকৰ ক্ষেত্ৰত কওঁ যে, আমাৰ মিৰিসকলৰ মাজত থকাঁ মিৰিজিমৰ নিচিনা শিল্প বোধকৰো অসমৰ অনান্য জেগাৰ কথা নেলাগেই পৃথিবীৰ ভিতৰতে ইয়াৰ নিছিনা-কাপোৰ পাবলৈ নাইকীয়া বুলিয়েই কবপাৰি। কিন্তু এনেকুৱা এটা শিল্পৰ প্ৰতিও আজি যোৱা ২৬ বছৰে আমাৰ চৰকাৰে অৱহেলা কৰি আহিছে। অৰ্থচ এই শিল্পটোৰ সমূচিত উন্নতি সাধন কৰি সেই শিল্পকৰা লোকসকলকৰ উত্‌সাহিত কৰিব পৰাহলে সেইলোকসকলৰ অৰ্থনৈতিক উন্নতি হোৱাৰ ওপৰিও আমাৰ দেশখনে এক বৃজন পৰিমাণৰ বৈদেশিক মুদ্ৰা অৰ্জ্জণ কৰিব পাৰিলেহেঁতেন। বহুদিনৰ আগতে শুনিবলৈ পোৱামতে ৰাচিয়া, আমেৰিকা আদিৰ ঠাইৰ পৰাও এই মিৰিজিম বিছাৰি সোধা হৈছিল। সেইমতেই আমি যদি এইবিলাক দেশক এইবিলাক বস্তুৰ যোগান দিবপাৰিলোহেতেঁন তেতিয়াহলে, সেইপিনৰ পৰাও আমি যথেষ্ট সংখ্যক বিদেশী মুদ্ৰা অৰ্জ্জণ কৰিব পাৰিলোহেতেঁন। কিন্তু আমি এই সকলোবিলাক ক্ষেত্ৰত আজি নিমাত নিতাল হৈ আছোঁ। এই অৱহেলা বা উদাসীনতা অকল এই মিৰিজিমৰ ক্ষেত্ৰতেই নহয় এইধৰণৰ বহুত বিলাক শিল্প আমাৰ আছে যি বিলাকক সদায়ে উপেক্ষা কৰিয়েই অহা হৈছে। সেইকালৰ পৰাই এইবিলাক শিল্পৰ প্ৰতি বিশেষভাৱে দৃষ্টিপাত কৰিবৰ কাৰণে মই চৰকাৰক বিশেষ ভাৱে অনুৰোধ কৰিছো।

তাৰ পিছত উপাধ্যক্ষ মহোদয়, আমাৰ অসমীয়া শিপিনীৰ আতাইতকৈ লেখত লব লগীয়া শিল্প বয়ন শিল্পৰ উন্নতিৰ কাৰণেও চৰকাৰে কোনো ব্যৱস্থা লোৱা নাইকীয়া। মাননীয়, উপাধ্যক্ষ মহোদয়, পৃথিবীৰ উন্নত দেশবিলাকৰ লগত বস্তুৰ আয়ুসৰ ওপৰত নিৰ্ভৰ কৰিহে তাৰ মূল্য নিৰূপণ কৰিব পাৰি। ভালদৰে চলালে এখন এৰিয়া কাপোৰেৰে অনায়াসে পাছ বছৰ কাল খেদিব পাৰি। অকল সিমানেই নহয়,

ভালদৰে চলালে এখন এৰিয়া চাদৰেৰে গোটেই জীৱনটোৱেই অতিবাহিত কৰিব পাৰি। এনেকুৱা এটা বস্তুৰ মূল্যৱান স্থিৰ কৰাৰ কাৰণেও আজিলৈকে কোনো ব্যৱস্থাৰ কথা চিন্তা কৰা নহল গতিকে এইবিলাক কথা ভালদৰে চিন্তা কৰা একান্ত প্ৰয়োজন। বস্তু এটা তৈয়াৰ কৰিলে সেই বস্তুটো তৈয়াৰ কৰোতে হোৱা পৰিশ্ৰম আৰু আয়ুসৰ ওপৰত ভিত্তি কৰিহে তাৰ মূল্যমান স্থিৰ কৰা হয়। আমাৰ এই এৰি-মুগাৰ কাপোৰ আদি আমাৰ ভুটিয়া, নেপালী আদি লোক সকলে কিনি নিয়ে কিন্তু আমাৰ চৰকাৰে হলে সেইবিলাক বেচাৰ কোনো ব্যৱস্থা নকৰে। গ্ৰাম্য শিল্পৰ ক্ষেত্ৰত এইখিনি কথা মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰো। তাৰ লগে লগে এইবিলাক শিল্পৰ কাৰণে যিখিনি কাৰীকৰী শিক্ষাৰ প্ৰয়োজন সেইখিনি আৰু তাৰ প্ৰয়োজনীয় সকলোবিলাক আৰ্থিক সাহাৰ্য্য আগবঢ়াবৰ কাৰণ আৰু স্থানীয় লোকে যাতে এইবিলাক শিল্পত যথেষ্ঠ সা-সুবিধা পাব পাৰে তাৰ কাৰনে মই আমাৰ মাননীয় উদ্যোগমন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ কৰিছোঁ। এই উদ্যোগ বিলাক হয়তো আমাৰ ডাঙৰ ডাঙৰ নগৰ চহৰ আদিত পাতিব পাৰে কিন্তু তাৰ দ্বাৰা তাৰ প্ৰকৃত উদ্দেশ্য সাধন নহব। লগতে চৰকাৰক এই কথাটোও কওঁ যে, চৰকাৰে যি কামেই নকৰক লাগিলে সেই কাম বিলাক বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিব লাগিব। সেইকাৰণেই উপাধ্যক্ষ মহোদয় আমাৰ ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত আমি মাননীয় মন্ত্ৰীমহোদয়ে যিখন বিল দাঙি ধৰিছে তাত মই আন্তৰিকতাৰে আদৰণী জনাইছোঁ। আৰু মন্ত্ৰী মহোদয়কো ধন্যবাদ জনাইছোঁ। লগতে যি এই ক্ষেত্ৰত যি বৰ্ড গঠ কৰাৰ দাবী উঠিছে সেইক্ষেত্ৰত মই কওঁ যে, এই বৰ্ডবিলাকৰ প্ৰতি নিধিত্বৰ ক্ষেত্ৰত অৰ্থাত বৰ্ডৰ সদস্যবিলাক নিৰ্ব্বাচন কৰাৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিব বুলি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

এই বোৰ্ডত যি সকল লোকে প্ৰতিনিধিত্ব কৰিব সেই সকল লোক কেনে পৰ্য্যায়ৰ মানুহ হোৱা উচিত তাক ভালদৰে বিবেচনা কৰাতো দৰকাৰ। কিয়নো যদি সেই লোকসকলৰ এই গ্ৰাম্য শিল্পৰ প্ৰতি পৃষ্টপোষকতা নাথাকে তেতিয়া হলে এই বোৰ্ডৰ প্ৰকৃত উদ্দেশ্য কেতিয়াও

সাফল্য মণ্ডিত নহব। তেনে বোৰ কথা ইয়াত অবলম্বন কৰিব লাগিব আন এটা দৰকাৰী কথা হ'ল সেই বোৰ্ডত আমাৰ জনজাতি আৰু অনুসুচীত সম্প্ৰদায়ৰ আৰু পিছপৰা সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব লবৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আৰ্কষন কৰিছোঁ নহলে আমাৰ এই অধিক সংখ্যক গাৱলীয়া মানুহ এই ক্ষুদ্ৰ উদ্যোগ সমূহ সুবিধাৰ পৰা বঞ্চিত হব। গতিকে এনে এটা গনতান্ত্ৰিক নীতি অবলম্বন কৰিব লাগে যাতে এনেবোৰ ক্ষুদ্ৰ উদ্দ্যোগ গঢ়াতে আমাৰ ৰাজ্যৰ অধিক সংখ্যক লোকে ইয়াৰ সুবিধা কৰ লব পাৰে। শেষত মই কৈছোঁ যে যি উদ্দেশ্যেৰে এই বিল বিধেয়ক খন অনা হৈছে সেই উদ্দেশ্য যাতে সফল কাম হব পাৰে তাকে কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীনগেন বৰুৱা:

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ক্ষুদ্ৰ আৰু কুটিৰ শিল্প ক্ষেত্ৰত সাহাৰ্য্য দিয়াৰ সন্দৰ্ভত যি বিধেয়ক বিল উপস্থাপিত হৈছে তাৰ ওপৰত মই অলপমান আলোচনা কৰিব বিচাৰিছো। এই কথা মই দুখেৰে কব লগীয়া হৈছেঁা যে আমাৰ দেশত আচলতে কুটিৰ শিল্প আৰু ক্ষুদ্ৰ শিল্পৰ উন্নয়নৰ ক্ষেত্ৰত আমাৰ নিবনুৱা যুৱক সকলক উতসাহ উদ্দিপনা প্ৰদান কৰি যি ধৰণৰ আৱাহাৱা সৃষ্টি কৰিব লাগিছিল সেই ধৰণৰ আৱাহাৱা আজিও সৃষ্টি কৰিব পৰা নগল। এই কথা সকলোৱে স্বীকাৰ কৰে যে অসম অতিজৰে পৰা ক্ষুদ্ৰ আৰু কুটিৰ শিল্পৰ ক্ষেত্ৰত চহকী আছিল, তেতিয়াৰ দিনত অসম কাঁহপিতলৰ বাচনৰ পৰা আৰম্ভ কৰি বস্ত্ৰ তৈয়াৰী কৰালৈকে সকলো ক্ষেত্ৰতে অসমৰ মানুহ স্বাবলম্বী আছিল আৰু তাৰ দ্বাৰাই কেৱল ব্যক্তিগত লোকেই নহয় সমূহীয়া জনসাধাৰণো উপকৃত হৈছিল কিন্তু যি দিনা খনৰ পৰা বৃটিছ সকল আমাৰ ইয়ালৈ আহিল তেতিয়াৰে পৰা এই ক্ষুদ্ৰ আৰু গৃহ শিল্প সমূহে লোপ পাবলৈ ধৰিলে, ক্ৰমে এই শিল্প দূৰ্ব্বল হৈ আহিবলৈ ধৰিলে। আগৰ যিবিলাক ঘৰুৱা শিল্পৰ প্ৰচলন আছিল সেইবিলাকৰ প্ৰচলন ক্ৰমে হ্ৰাস হৈ আহিবলৈ ধৰিলে।

সেই মৃতপ্ৰায় শিল্প সমূহ পুনৰুজ্জীবিত কৰাৰ উদ্দেশ্যে যি বোৰ আচঁনি ইতিমধ্যে চৰকাৰে হাতত লৈছে তাৰ দ্বাৰা অসমৰ এই কুটিৰ শিল্প আৰু ঘৰুৱা শিল্প সমূহে গা-কৰি উঠাৰ ক্ষেত্ৰত কোনো উৎসাহ জনক ফল আমাৰ চকুত পৰা নাই । যদি আমি ভালদৰে ফহীয়াই চাওঁ তেতিয়া দেখিম যে এই চৰকাৰৰ আচঁনি সমূহ মূলতঃ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি খিনি ব্যৱস্থা হাতত লব লাগিছিল সেই খিনি লোৱাৰ ক্ষেত্ৰত ব্যৰ্থতাৰ পৰিচয় দিছে । আজি এই শিল্প সমুহ পুনৰউদ্ধাৰ কৰি আমাৰ বাঢ়ি অহা নিবনুৱা ডেকা সকলক সুবিধা যি মতে দিব লাগিছিল সেই মতে দিব পৰা হোৱা নাই ফলত ই ৰাইজৰ তথা নিবনুৱা ডেকাৰ অনুৰাগ আনিব পৰা নাই ।

যাতে সাহাৰ্য্য মঞ্জুৰী চাৰে সাত হাজাৰ ৫ হাজাৰ ২০ হাজাৰ ঠাইত পুৰামাত্ৰাই সাহাৰ্য্য আগবঢ়াব পৰা যায় আৰু তাৰ সত্ব্যৱহাৰ হয় আৰু আমাৰ বাঢ়ি অহা অধিক সংখ্যক নিবনুৱা যুৱকক সাহাৰ্য্য পূজিৰ পৰা সাহাৰ্য্য আগবঢ়াব পাৰি সেই উদ্দেশ্যে হে এই সংশোধিত বিধেয়ক খন অনা হৈছে । এতিয়া কথা হ'ল বৰ্ত্তমান ব্যৱস্থাৰ যোগে দি আমি কিমান মানুহক সাহাৰ্য্য আগবঢ়াব পাৰিছো ক্ষুদ্ৰ শিল্প আৰু কুটিৰ শিল্পৰ ক্ষেত্ৰত আমাকি স্থান যুৱকক সহায় আগবঢ়াব পাৰিছো আৰু এই ক্ষেত্ৰত আমি কিমান ফল বৰ্ত্তী হৈছোঁ সেইটোহে আমি পৰিকল্পনাৰ কালছোৱাত বিচাৰ কৰাৰ প্ৰয়োজন হৈ পৰিছে । কিন্তু প্ৰকৃততে যদি ভালদৰে বিশ্লেষণ কৰি চোৱা হয় যে কুটিৰ শিল্প আৰু গ্ৰাম্য শিল্পৰ ক্ষেত্ৰত যি খিনি কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰে লব লাগিছিল সেই পৰিমানে লোৱা নাই, আজি অসমৰ উদ্যোগ গঢ়াৰ ক্ষেত্ৰত 'মটিভেটেড' কৰা যেনহে অনুমান হয় । আজি এনেধৰণৰ এটা পাৰি পাশ্বিক অৱস্থাৰ সৃষ্টি কৰিব পৰা নগ'ল । যি অৱস্থাত নেকি আমাৰ নিবনুৱা ডেকাই এই কুটিৰ শিল্পৰ বা গ্ৰাম্য শিল্পৰ উদ্যোগ গঢ়ি সমাজত মানসন্মানসহ সম্পূৰ্ণ মৰ্য্যাদাৰে বাস কৰিব পাৰে আৰু এই শিল্পৰ ওপৰত নিৰ্ভৰ কৰি স্বাবলম্বী হ'ব পাৰে, এনেকুৱা এটা প্ৰতিচ্ছাবি ক্ষুদ্ৰ উদ্যোগত চৰকাৰে ডাঙি ধৰিব নোৱাৰাৰ কাৰণেই আমাৰ নিবনুৱা যুৱক

সকল কুটিৰ শিল্পৰ প্ৰতি অলপমানো অনুৰাগী নহয়। আজি এইটো বিশেষ ভাৱে মন কৰিব লগীয়া যে অকল পুঁজি বা টকা দি সহায় কৰিলেই উদ্যোগ গঢ়ি নুঠে ইয়াৰ বাবে লাগে এটা পাৰিপাৰ্শ্বিক অৱস্থা অৰ্থাত, আগ্ৰহ বা অনুৰাগ, তাৰ বাবে লাগে সুকীয়া পৰিবেশ বা 'ক্লাইমেট'। আজিৰ শিক্ষাৰ পদ্ধতিয়েও তেনে আগ্ৰহৰ প্ৰতি আমাৰ যুৱক সকলক সহায় কৰা দেখা নাযায়। গতিকে তেনে ধৰণৰ এটা 'ক্লাইমেট' বা পৰিবেশ নহলে আচঁনি ললে বিশেষ কামত নাহে, সেই কাৰণেই তেনে ধৰণৰ ক্লাইমেট বা পৰিবেশ সৃষ্টি কৰাৰ কথা চৰকাৰে চিন্তা কৰিছিল নে আৰু সেইটোহে বিশেষ ভাবে চিন্তা কৰা প্ৰয়োজন আছিল।

উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই নানা আচনিৰ কথা উল্লেখ কৰিছে। নিবনুৱা যুৱক সকলৰ কাৰণে আচনি দাঙি ধৰিছে। আজি সেই বিলাক কাগজত দেখিবলৈ পাইছো। এমহীয়া, ১৫ দিনীয়া, পষেকীয়া আচনৰ কথা যে কৈ তেওঁলোকক আত্ম সাহাৰ্য্যমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ আচনি গ্ৰহণ কৰিছে, তাৰ আচলতে কিবা হৈছেনে নাই? আমাৰ ডেকা সকলৰ এই আচনিৰ প্ৰতি উৎসাহিত হৈছে নে নাই? আমাৰ সমাজত তেনে এটা আবহাৱা সৃষ্টি হোৱা নাই। সেই কাৰণে কুটীৰ শিল্পৰ ক্ষেত্ৰত আৰু ক্ষুদ্ৰ শিল্পৰ ক্ষেত্ৰত জোৰ দিবলৈ হলে শিল্প গঢ়িবলৈ অহা সকলৰ মাজত অনুৰাগৰ সৃষ্টি কৰিব লাগিব। দীৰ্ঘম্যাদী আচনিও লগে লগে যুগুত কৰিব লাগিব। সেইখিনি কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ আচনি নাই বুলি জানো। অকল পষেকীয়া প্ৰশিক্ষণ আচনি গ্ৰহন কৰিলেই উদ্যোগ গঢি উঠিব তাত মোৰ সন্দেহ। কাৰণ আজি ২৫ বছৰে এইখিনি কৰা নেদেখিলো। আমাৰ দেশত উদ্যোগ গঢ়াৰ কাৰণে এটা পৰিবেশৰ সৃষ্টি কৰিব লাগিব। এই উদ্যোগৰ ক্ষেত্ৰত যিমানখিনি অনুৰাগৰ প্ৰয়োজন সেই খিনি কৰাৰ ক্ষেত্ৰত আচনি ঘোষাণা কৰিলে আমাৰ উদ্যোগ গঢ়াৰ আচনি সফল হব। আমাৰ চৰকাৰে উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত কিছুমান আচনি ঘোষণা কৰিলেও আচলতে আন্তৰিকতাৰে নকৰে।

১৯৭২ চনত এই কথা ঘোষনা কৰিছিল যে বন বিভাগৰ জৰিয়তে থলুৱা লোকক কাঠৰ লাইচেন্স দিয়া হ'ব। কিন্তু সেই সুবিধা আমাৰ দেশৰ বাহিৰা মানুহে পাইছে। প্লাইউড ফেক্টৰীৰ লাইচেন্স পাইছে বিৰলা গোষ্ঠীয়ে।

শ্ৰীপৰমা নন্দ গগৈ (মন্ত্ৰী): প্লাইউদ ফেক্টৰীৰ লাইচেন্স পদ্ধতিটো কৰিছিল কেন্দ্ৰীয় চৰকাৰে মাত্ৰ কাঠ দিবনে নিদিয়ে সেইটো বিচাৰ কৰে।

শ্ৰীনগেন বৰুৱা: এই প্লাইউড ফেক্টৰী চাৰিটাক ২ লাখ চি, এফ, টি কাঠ দিয়া হৈছে। এই চাৰিটা মিলৰ মালিক থলুৱা লোক নহয়। চৰকাৰে ঘোষিত নীতিৰ পৰা আতৰি গৈ পুঁজিপতি সকলক দিছে। যদি চৰকাৰে ঘোষিত নীতিৰ বিৰুদ্ধে কাম কৰে তেন্তে এই চৰকাৰৰ প্ৰতি আমাৰ জন সাধাৰণৰ আস্থা হেৰাই যাব। উদ্যোগ কৰিবলৈ অহা সকলৰ উৎসাহ হেৰাই যাব। আমাৰ এই মন্ত্ৰী সকলৰ ক্ষমতা ভাঙি লৈ অহাৰ পিচত ঘোষনা কৰিছিল যে হলাৰ চেলাৰৰ পানিত নিয়ন্ত্ৰণ কৰিব যোগান বিভাগে। এই কথখিনি পৰ্য্যালোচনা কৰোতে আজি আঠ ন মাহ হৈ গল। আমাৰ ডেকা সকলে দুই চাৰি হেজাৰ টকা নি খটুৱালে। কিন্তু বিণিউ ৱলৰ ক্ষেত্ৰত অসুবিধা আহি পৰিছে। আমাৰ চৰকাৰৰ হেমাহীৰ কাৰণে এনে অৱস্থাৰ কাৰণে এনে অৱস্থাৰ সৃষ্টি হৈছে। গতিকে চৰকাৰে খৰটকীয়া ব্যৱস্থা লব লাগে। বহুতো উদ্যোগৰ তুলনাত আমাৰ এই ক্ষুদ্ৰ শিল্প বিলাকে ফেৰ মাৰিব নোৱাৰে আমাৰ সৰুসুৰা মিলবিলাক লাভজনক হোৱা নাই। আমাৰ উদ্যোগ গঢ়ি তুলিবৰ কাৰণে বিজুলী শক্তিৰ যোগান ধৰিব লাগিছিল। বিজুলী শক্তিৰ অভাৱত এই ক্ষুদ্ৰ উদ্যোগ বিলাক কাৰ্য্যকৰী হোৱা নাই। সেইকাৰণে মোৰ আশা যে চৰকাৰে উদ্যোগ গঢ়ি তোলাৰ এটা পৰিবেশ গঢ়ি তুলিব লাগিব। এইখিনিকে কৈ মই বিলখনৰ বিৰোধিতা কৰিলো।

**Mr, Deputy speaker :** It is now 12.30, the House stands adjourned till 2 P. M.

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মাননীয় উপাধ্যক্ষ মহোদয়, আমি যি খন বিল আলোচনা কৰি আছো অসম এইড টু ইণ্ডাষ্ট্ৰিজ ( স্মল এণ্ড কটেজ ইণ্ডাষ্ট্ৰিজ ) (এমেণ্ডমেণ্ট ) বিল ১৯৭৩, এইখনে উদ্যোগ বিকাশৰ কাৰণে ঋণ বিতৰণ কৰাৰ ক্ষেত্ৰত এটা অসুবিধাৰ সৃষ্টি কৰিব । আমি সদায়েই কৈ থাকো যে উদ্যোগ বিকাশ নহলে ৰাজ্য খনৰ তথা গোটেই দেশখনৰ অৰ্থনৈতিক উন্নতি আশা কৰিব নোৱাৰি । আমাৰ ৰাজ্য চৰকাৰৰ যিটো উদ্যোগ বিভাগ আছে মই এইটো স্পষ্ট ভাবে কব খুজিছো যে উদ্যোগ বিকাশৰ ক্ষেত্ৰত আটাইতকৈ বেছি বাধাৰ সৃষ্টি যদি কোনোবাই কৰি থাকে তেনেহলে এই উদ্যোগ বিভাগে কৰিছে । উদাহৰণ স্বৰূপে মই কব খুজিছো মই দৃষ্টান্তও দিব পাৰো মহকুমা পৰ্য্যায়ত এই বিভাগে যিবিলাক কাৰ্য্যালয় খুলছে সেই কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলৰ কোনো এজনেও উদ্যোগ বিকাশৰ কাৰণে কোনো ব্যৱস্থাই হাতত লোৱা নাই বৰং তেওঁলোকে তেলীৰ মূৰত তেল দিয়াৰ নীতি হে অৱলম্বন কৰিছে আৰু উদ্যোগৰ কাৰণে ঋণ দিয়াৰ নামত তেওঁলোকে দূৰ্নীতিক প্ৰশ্ৰয় দিছে । এটা ক্ষুদ্ৰ উদ্যোগৰ কাৰণে এক হেজাৰ টকা ঋণৰ বাবে কোনোবাই যদি দৰ্খাস্ত কৰিছে তেনেহলে তেওঁ কম পক্ষেও তিনিশমান টকা খৰচ কৰিব লাগিব আৰু কেতিয়াবা এই টকা খৰচ কৰিও মাহেকৰ পিচত মাহ ধৰি বছৰৰ পিচত বছৰ ধৰি অফিচৰ দুৱাৰে দুৱাৰে ঘূৰা ঘূৰি কৰিও ঋণৰ টকা তেওঁলোকে নাপায় আমাৰ ধুবুৰীত এটা অফিচ আছে—এচিচটেণ্ট ডিৰেক্টৰ অব কটেজ ইণ্ডাষ্ট্ৰিজ অফিচ বহুত বছৰ ধৰি অফিচাৰ নোহোৱা অৱস্থাতে অফিচখন চলি আছে । দুই এজন ইণ্ডাষ্ট্ৰিজ এক্সটেন্সচন অফিচাৰ আছে তেওঁলোকৰ হাতত চব এৰি দিয়া হৈছে তেওঁলোকে টকা নাপালে একো কাম নকৰে । এই নীতিয়ে নিবনুৱা ডেকাসকলক উদ্দীপনা নিদি বৰঞ্চ নিৰুৎসাহহে কৰিব । এওঁলোকৰ কাৰণে কাম নকৰি পুঁজিপাতী সকলৰ কাৰণেহে এই কৰ্ম্মচাৰী সকলে কাম কৰে বুলি মই প্ৰতিবাদৰ কোনো ভয় নকৰাকৈ কব পাৰো । আজি প্ৰায় ছমাহমান আগতে ক্ষুদ্ৰ শিল্পৰ কাৰণে কিছুমান ঋণ দিবলৈ টকা মঞ্জুৰ কৰা হল ধুবুৰীত আৰু এখন কমিটিও কৰিছে, কেনেকৈ কৰিছে, কাক লৈ কৰিছে

আমি নাজানো এইটো কনফিডেনচিয়েল কথা বোধকৰো উদ্যোগ বিভাগৰ হে এইটো কথা আমি জানিবৰ অধিকাৰ আছে নে নাই সেইটোও নাজানো। এই কমিটিয়ে কিছুমান ঋণ মঞ্জুৰ কৰিছিল পিচে ঋণৰ টকা আজি দিয়া হব কালিলৈ দিয়া হব এইদৰে ঘুৰি ফুৰি তিনি-চাৰিশ টকা খৰচ অৰ্থাত্ অফিচলৈ অহা খৰচ কৰ্ম্মচাৰী সকলক ঘোচ দিয়া খৰচ এনেকুৱাকৈয়ে ঋণৰ টকা নোপোৱাকৈয়ে ঋণৰ টকাৰ পৰিমাণৰ প্ৰায় আধা টকা নিজৰ পকেটৰ পৰা খৰচ কৰিবলৈ বাধ্য হৈছে তথাপিও ঋণ পোৱা নাই। এই বিলাক কাৰ্য্যকলাপেৰে উদ্যোগ বিভাগে কেতিয়াও উদ্যোগ বিকাশৰ পথ মুকলি কৰিব নোৱাৰে। সেই কাৰণে এই বিলখনৰ বিতং ভাৱে আলোচনাৰ আগতে মই কব খুজিছোঁ যে যদিহে কৰ্ম্মচাৰী সকলে এটা অনুপ্ৰেৰণা লৈ উদ্দীপনা লৈ কাম নকৰে আমাৰ এই,বৃষি প্ৰধান দেশখনৰ মানুহক উদ্যোগ মুখী কৰাৰ কাৰণে মিচনাৰি সুলভ আগ্ৰহেৰে যদি কাম নকৰে তেনেহলে নিবনুৱা ডেকাসকলক আমি অনুপ্ৰেৰণা যোগাব নোৱাৰিম : তেওঁলোকক অনুপ্ৰাণিত কৰিবলৈ হলে চৰকাৰী পৰ্য্যায়ত লোৱা ঋণ দিয়াৰ ব্যৱস্থা খৰতকীয়া কৰিব লাগিব। কোনোবাই ক্ষুদ্ৰ শিল্পৰ কাৰণে দৰ্খাস্ত কৰিছে ঋণ মঞ্জুৰ কৰিছে।

কিন্তু টকাখিনি পোৱাৰ কাৰণে যদি ইমান দিন পলম হয়, বছৰৰ পিচত বছৰ বহি থাকিব লগীয়া হয় তেতিয়াহলে তেওঁলোক নিশ্চয় নিৰুত্সাহ হব। সেই কাৰণে মই কৈছো যে ঋণ দিয়াৰ ব্যৱস্থা সোনকালে কৰিব লাগে আৰু সোনকালে যাতে উদ্যোগ বোৰ স্থাপন কৰিব পৰা যায় তাৰ এটা ব্যৱস্থা কৰিব লাগে। এই আইন খন ১৯৫৫ চনত পাচ কৰা হল কিন্তু এই আইন খন এখন প্ৰগতিশীল আইন বুলি কব নোৱাৰি। ক্ষুদ্ৰ উদ্যোগ বিলাকক এই আইন খনে আগুৱাই নিনিয়ে বৰঞ্চ পিচ ফালেহে টানি আনিব তাৰ কাৰণেই ইয়াত কোৱা হৈছে ক্ৰুজথিত।

English sentences quoted: In clause 3 it is stated, as such, "In between the words "such limit "and" as may be prescribed", the words "and on such terms and conditions"

shall be inserted ; for the words and figures "Rs. 20,000 only occurring in between the words" up to " and " may " the words and figures Rs.7, 500 in case of unemployed engineers/ technologists/ technicians and up to Rs. 5,000 in other cases ", shall be substituted :"

অর্থাত্, বিশ হাজাৰ টকাৰ ঠাইত সাড়ে সাত হাজাৰ টকা কৰা হল। এইটো কোন ভিত্তিত কোন যুক্তিত কৰা হল আমি কব পৰা নাই। উদ্যোগ বিকাশ কৰিবলৈ গলে দেখা যায়, আজি বস্তুৰ দাম বাঢ়িছে, কেপিটেল cost বাঢ়িছে যেতিয়া আদিৰ দাম বাঢ়িছে আন আন বস্তু বিলাকৰো দাম বাঢ়িছে, তেনে ক্ষেত্ৰত ঋণৰ পৰিমাণ দিব লাগিছিল বঢ়াই কিন্তু তাকে নকৰি কোন দৃষ্টিভঙ্গীৰে কোন যুক্তিৰে এইটো বিশ হাজাৰ টকাৰ ঠাইত সাৰে সাত হাজাৰ টকা কৰিলে সেইটো আমি বুজিব নোৱাৰিলো।

**Mr, Deputy Speaker, :** It is given in the statement of object and reasons.

**Shri Giasuddin Ahmed ;** Yes I have seen it.

এইটো দিছে কাৰণ এখন বিল আহিলে ষ্টেটমেনচ অব অবজেক্ট এণ্ড ৰিজনি দিব লাগে কিন্তু মোৰ বোধেৰে ই যুক্তিসংগত হোৱা নাই। মই কৈছো একেবাৰে অবাস্তৱ আৰু ধেমালী হে কৰা হৈছে। আমি হলে একো বুজি পোৱা নাই। বুজিছো, সৰু সৰু উদ্যোগৰ কাৰণেও যে বস্তুৰ মূল্য বাঢ়িছে এইটো কোনেও অস্বীকাৰ নকৰে। আন আন সকলো বস্তুৰ দৰে এইবোৰ বস্তুৰও মূল্য বাঢ়িছে। গতিকে বৰ্ত্তমানে উদ্যোগ স্থাপন কৰিবলৈ হলে আগতকৈ বেচি পৰিমানৰ টকাৰ দৰ্কাৰ হব। কিন্তু চৰকাৰে দিব পৰা ঋণৰ পৰিমান কুৰি হেজাৰৰপৰা কমাই নি সাৰে সাত হাজাৰ কৰাতো উদ্যোগ স্থাপনত বাধা সৃষ্টি কৰা হোৱা নাই জানো? গতিকে মই এই বিলৰ প্ৰতিবাদ কৰিছো।

আনহাতে উদ্যোগ বিভাগৰ পৰা যিটো ঋণ দিয়া হব তাত ফাইনেন্স কৰ্পোৰেচনক সাঙুৰি দিয়া হৈছে। ১০ হাজাৰৰ বেছি টকা হলে কৰ্পোৰেচনলৈ পঠিয়াব। যদি কৰ্পোৰেচনে টকা দিব নোৱাৰে

তেতিয়া উদ্যোগ বিভাগে পুনৰ বিবেচনা কৰিব। গতিকে এইটো আও পকীয়া ব্যৱস্থা। আমাৰ কথা হ'ল কোনোবা ইচ্ছুক মানুহে উদ্যোগ কৰিব খুজিলে উদ্যোগ বিভাগে পোনে পোনে টকা দিব লাগে কিন্তু তাকে নকৰি উদ্যোগ বিভাগ, ফাইনেনচিয়েল কৰ্পোৰেচন কৰি থাকোতে এবছৰ দুবছৰ বা যুগ যুগ লাগি যাব দৰ্থাষ্ট ডিস্পোজ অফ কৰিবলৈ গতিকে উদ্যোগ বিকাশত ই ব্যধাৰ সৃষ্টি কৰিব। গতিকে উদ্যোগ বিকাশ কৰিবলৈ হ'লে ঋনৰ পৰিমান বঢ়াই দিব লাগে আৰু ঋন পোৱাৰ খৰতকীয়া ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই বিলখনৰ বিৰোধীতা কৰিলো।

( **Shri Badan Chandra Talukder rose to speak.** )

**Mr. Deputy speaker :** Time is very short. Please speak for five minutes.

**শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—** উপাধ্যক্ষ মহোদয়, এই ক্ষুদ্ৰ আৰু কুটীৰ শিল্প বিকাশৰ কাৰণে যিখন সংশোধনী বিল আনিছে, এই কুটীৰশিল্প প্ৰসাৰৰ প্ৰথম বিলখন আজিৰ পৰা ১৮ বছৰ আগতে ১৯৫৫ চনত অনা হৈছিল, তেতিয়াৰ পৰা আজিলৈ এই উদ্যোগ বিকাশৰ ইতিহাস যদি চাওঁ তেতিয়া হলে দেখিম প্ৰকৃততে উদ্যোগৰ কোনো বিকাশ আমাৰ ৰাজ্যত এতিয়ালৈকে হোৱা নাই। ইয়াৰ আগতে এই উদ্যোগ বিলাকলৈ ঋন আৰু সাহায্য দিয়াৰ যি ব্যৱস্থা আছিল সেই ঋন বা সাহায্যৰ দ্বাৰা প্ৰকৃততে উদ্যোগ প্ৰতিষ্ঠা হৈছে নে নাই নে ঋন নি আন কামত খটাইছে এই বিলাক লক্ষ্য কৰিবলগীয়া কথা। আজি ইয়াৰ ইঞ্জিনিয়াৰ, টেকনিকেল পাৰচন যি সকলে উদ্যোগ স্থাপনৰ কাৰণে আগ বাঢ়ি আহে তেওঁলোকক ঋন দিয়াৰ কথা উল্লেখ কৰিছে কিন্তু এই ঋন বা সাহায্য কি ধৰণৰ হব ঋনৰ পৰিমান কিমান হব মাত্ৰ সাৰে সাতহাজাৰ টকা। আজি শিল্প বস্তুৰ জুই চাই দামলৈ চাই এই টকা অতি কম আৰু ইয়াৰ দ্বাৰা উদ্যোগ প্ৰতিষ্ঠা কৰা সম্ভৱপৰ নহয়। ইয়াৰ দ্বাৰায়ে উদ্যোগ প্ৰসাৰণ হব বা প্ৰতিষ্ঠা হব এইটো প্ৰহসনৰ বাহিৰে আন একো নহয়। প্ৰকৃততে উদ্যোগ

প্রসাৰন কৰিবলৈ হলে ঋনৰ পৰিমান বঢ়াই দিব লাগিব যাতে উদ্যোগৰ প্ৰতি আমাৰ ডেকাসকল আকৃষ্ট হয়।

মই আৰু এটা কথা কব খুজহো যদিও সময় খুব কম আমাৰ যি সকল ইঞ্জিনিয়াৰ বা টেকনিকেলমেন বা টেকনালোজিষ্ট তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত নিজৰ ফালৰ পৰা আৰু চৰকাৰৰ ফালৰ পৰাও যথেষ্ট টকা খৰচ কৰি পঢ়ে কিন্তু তেওঁলোকক উদ্যোগমূখী কৰিব পৰাকৈ আমাৰ কোনো পৰিকল্পনা হ'ওত নাই। সেই কাৰণে ঋন আগবঢ়োৱাৰ ক্ষেত্ৰত যি বিলাক আগৰ কুটীৰ শিল্প চলি আছে আৰু নতুন কৈও হৈছে আজিৰ এই অসমত এই কথা লক্ষ্য কৰিবলগীয়া হৈছে। আমাৰ লক্ষ্য হৈছে যি বিলাক কুটীৰ শিল্প আমাৰ প্ৰচলন হৈ আছে সেইবিলাকে কি ধৰনেৰে সন্মুখীন হৈছে সেইটো বিভাগে লক্ষ্য কৰিব লাগে। আমাৰ সৰ্থেবাৰী কাঁহ শিল্প, শুৱালকুছিৰ পাত শিল্প হাজোৰ পিতল শিল্প আৰু অসমৰ বিভিন্ন ঠাইৰ শিল্প বিলাক যুগ যুগান্তৰে চলি আহিছে সেই বিলাকে বাধাৰ সন্মুখীন হৈ মৃত্যুৰ মুখত পৰিব লগীয়া হৈছে। আজি তেওঁলোকৰ কাৰীকৰৰ অভাৱ, বজাৰৰ অভাৱ আৰু চৰকাৰৰ পৰা যি সাহাৰ্য্য পাব লাগে তাকো পোৱা নাই। সেই কাৰণে মই ভাবো যে যি সংশোধনী আনি তাৰ জৰয়তে কুটীৰ শিল্প বা ক্ষুদ্ৰ উদ্যোগে উদ্যোগ বিকাশত কি আৰহনা যোগাব মই ভাবিব নোৱাৰো। এই সংশোধনীত কোৱা হৈছে যে এখন বোৰ্ড কৰা হব জিলাৰ ভিত্তিত আৰু এই ঋন বোৰ্ডে সাৰে সাত হাজাৰ টকা ঋন দিব পাৰিব। কিন্তু মই ভাবো এই বোৰ্ড জিলা ভিত্তিত নকৰি মহকুমাৰ ভিত্তিত কৰিব লাগে। কাৰণ আজি কালি মহকুমাবিলাকত সকলোধৰণৰ পৰিকল্পনা বা আঁচনি আদি তৈয়াৰ কৰে সেই কাৰণে ইয়াক জিলাৰ ভিত্তিত নাৰাখি মহকুমাৰ ভিত্তিত ৰাখিব লাগে। নহলে সদৰৰ মানুহ খিনিয়ে যি সুবিধা পাব মহকুমাই তাৰ পৰা বঞ্চিত হব। সেই কাৰণে মই এই সংশোধনী বিলৰ বিৰোধীতা কৰিছো।

**শ্ৰীদেবেন বৰা :** মাননীয় উপাধ্যক্ষ মহোদয়, ক্ষুদ্ৰ শিল্পক সাহায্য কৰিবৰ কাৰণে যি খন সংশোধনী বিল আহিছে এই বিল খন মই সমৰ্থন জনাইছো। মই এই কাৰণেই সমৰ্থন জনাইছো যে আজি আমাৰ

থলুৱা লোক সকলৰ কাৰণে আমাৰ সৰু সৰু যি বিলাক শিল্প আমাৰ ৰাজ্যত আছে এই শিল্প সমূহ উন্নত কৰি বৰ্ত্তমান সময়ত নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে চিন্তা আৰু কাম কৰা বিশেষ দৰকাৰ। বৃহত উদ্যোগৰ দ্বাৰা আমাৰ সমস্যা সমাধান নহয়। আমাৰ ভাৰত বৰ্ষত যি মিশ্র অৰ্থনীতিৰ কথা আছে। বৃহত আৰু ক্ষুদ্ৰ শিল্প সুযোগে প্ৰসাৰ লাভ কৰা দৰকাৰ, তথাপি সৰু সৰু শিল্প বিলাকক গঢ়ি তুলিলে নিবনুৱা সমস্যা সমাধানৰ পথ বেচি প্ৰশস্ত হয়। ইয়াক আজি আমাৰ চৰকাৰে নীতি হিচাবে গ্ৰহণ কৰিছে। আমাৰ ৰাজ্যত বেত বাহ শিল্পৰ কথা আছে, কাহ, পিতলৰ শিল্পৰ কথা আছে, কুমাৰ, কমাৰ আদি শিল্পৰ কথা আছে, মাটি শিল্পৰ কথা আছে। এই সৰু সৰু শিল্পী সকলক যদি ৫ হাজাৰ কৈ টকা দি সহায় কৰো তেতিয়া হলে আমাৰ দেশৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰা হব। আজি আমাৰ দেশৰ অৰ্থ নৈতিক ভেটি দুৰ্ব্বল। এই অৰ্থনৈতিক ভেটি দুৰ্বল হোৱাৰ কাৰণ হৈছে আমাৰ যি বিলাক টকা উপাৰ্জন হয় সেই বিলাক টকা আমাৰ ইয়াতে খটোৱা নহয় সেই বিলাক বাহিৰলৈ গুচি যায়। এই টকা বিলাক বাহিৰলৈ গুচি যোৱাৰ ফলত আমাৰ দেশৰ অৰ্থ নীতি দুৰ্বল হৈ পৰিছে। আমাৰ থলুৱা শিল্পী বিলাকক সাহাৰ্য্য নিদিলে আমাৰ টকা বিলাক আমাৰ ইয়াতে নাথাকে। সেই কাৰণে আমাৰ টকা আমাৰ ইয়াতে ব্যৱহাৰ কৰিবলৈ সৰু সৰু শিল্পী সকলক সাহাৰ্য্য কৰা প্ৰয়োজন। সেই কাৰণেই এইটো সংশোধন কৰি সদনলৈ আনিছে, মই এই বিলখন সমৰ্থন কৰিছো।

এই বিল খনৰ আৰু এটা ভাগ হৈছে, ইয়াক বিকেন্দ্ৰীকৰণ কৰা হৈছে। আগতে বাক্তিক ভিত্তিত এখন বৰ্ড আছিল। এই বৰ্ডখনে ২০। ২৫ হাজাৰ টকালৈকে ঋণ দিছিল। এই টকাৰে কিছু শিল্প গঢ়িবলৈ দিয়া হৈছিল। এতিয়া সেই দৃষ্টি ভঙ্গী কিছু সলনি কৰা হৈছে। আমাৰ দেশৰ থলুৱা সৰু সুৰা শিল্প বিলাক বিকেন্দ্ৰী কৰণ কৰি ইয়াৰ টকা ইয়াতে উৎপাদন কৰি ইয়াতে খটোৱাই নিবনুৱা সমস্যা সমাধান কৰিব পাৰি তালৈ লক্ষ্য ৰাখি চাব ডিভিজিয়ন লেভেললৈকে এখন বৰ্ড কৰি ৫ হাজাৰ টকা দিবলৈ চেষ্টা কৰা হৈছে। আৰু

চাৰে ৭ হাজাৰ টকা টেক্‌নিচিয়ান সকলক দিয়াৰ নীতি হিচাবে গ্ৰহন কৰা হৈছে। এইটো নীতি হিচাবে গ্ৰহণ কৰা হৈছে, যে দেশৰ সৰু সৰু শিল্পী সকলক যদি সহায় কৰা নহয় তেনেহলে দেশৰ অৰ্থনীতি দুৰ্বল হৈ পৰিব। আমাৰ ডাঙৰ কথা হৈছে যে আমাৰ ৰাজ্যৰ নিবনুৱা সমস্যা সমাধান কৰা। ইয়াক বৃহত শিল্পৰ দ্বাৰা সমাধান কৰা টান। সেই কাৰণে মই ভাবো যে সৰু সুৰা শিল্প গঢ়ি উঠিলেহে আমাৰ নিবনুৱা সমস্যা সমাধান হব। এই দৃষ্টি ভঙ্গীৰেই সৰু সৰু শিল্পক সাহাৰ্য্য দিবলৈ বিবেচনা কৰিছে আৰু সেই কাৰণেই এই বিল সদনলৈ অনা হৈছে। মই আশা কৰো যে বিৰোধী দলৰ সদস্য সকলে ইয়াৰ বিৰোধীতা কৰা উচিত হোৱা নাই। আমাৰ থলুৱা লোক সকলক লগতে কমাৰ, কুমাৰ, বাহ, বেতৰ কাম কৰা সকলক উৎসাহ দিবৰ কাৰণে ইয়াৰ দ্বাৰা চেষ্টা কৰা হব। থলুৱা লোক সকলক উৎসাহ নিদিয়াৰ কাৰণে বাহিৰৰ পৰা মানুহ আহি ইয়াত উদ্যোগ গঢ়ি তুলাৰ আৰু ইয়াৰ পৰা টকা বাহিৰলৈ লৈ গৈছে। এই ধৰণেই বহুতো মানুহ বাহিৰৰ পৰা আহি ইয়াৰ টকা বাহিৰলৈ পঠাই আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় সদস্যই যিটো থলুৱা লোকৰ কথা কৈছে সেইটো এই বিল খনৰ কতো লিখা নাই। তেখেতে সেইটো কত পালে?

শ্ৰীদেবেন বৰা : চৰকাৰৰ দৃষ্টি ভঙ্গী বুজিব পাৰিছে সেইটো ব্যাখ্যা দিছো আৰু এইটো দৃষ্টি ভংগীৰ ফালৰ পৰা এই বিলখন সংশোধন কৰা হৈছে। এই কথা বিৰোধী পক্ষৰ সদস্য সকলেও স্বীকাৰ কৰিব লাগিব।

( বেল বিং )

আমাৰ ইয়াত যি টকা উপাৰ্জন হয় সেই টকা যাতে আমাৰ ইয়াতে খটুৱা হয়। সেই কথাটো মোৰ লগত বিৰোধী দলৰ সদস্য সকলো একমত হব। তেখেত সকলে এই বিলখন সমৰ্থন কৰিব বুলি আশা কৰিলো।

শ্ৰীবলোভদ্ৰ দাস : ইংৰাজীত

**Shri Balo Bhadra Das :** Mr. Deputy Speaker, Sir, in support of the Bill I state that this Bill at the outset, attempts to step up the facilities for maximum number of people and that is apparently the purpose of the Bill. To enable this, the quantum of loan has been reduced from Rs. 20, 000 to smaller amounts so that more number of unemployed engineers can be given the facilities along with other unemployed youths. This is very important and I support it. But one thing is there. We must be very serious about implementation of the laws passed by us. Sir, to-day a very unhappy state of affairs is there. We have many laws and Acts; there is liquer Prohibition Act in Kamrup District. But the honb'le members know liquer is available everywhere. What is the function of the Government ? Then there is Prohibition of Corruption Act. But have the Government been able to stop corruption ? Sir, I want to impress upon the Government that we may pass Bills, but should our responsibility be finished by doing that only. That should not be the thing. Implementation is the main question. I am very sorry to express before the House to-day that many unemployed youths met me and they told me that there are so many schemes of the Government to provide loans from Banks and from Central Government. They go to Shillong, Calcutta and collect the data and there it ends. This sort of unhappy state of affairs is there. Our officers do not know what amount should be sanctioned to the boys and money provideds by the Central Government lapses for lack of knowledge from the side of the Government. Sir, if we want to do something good to the youths, whatever laws or Acts we have these should be implemented properly. The boys should not be shown the ray of hope for nothing so that they may not get disheartened afterwards. Sir, the Opposition

members said that there is nothing in the Bill from which indigenous people will get any benefit out of this amending Bill. I personally know that this is not for the indigenous people. Here I want to sav that Assam belongs. to those who donot belong to Assam. Beyond this we had something to protect the interest of our unemploved boys. with these few words Sir I want to conclude my speech. But whatever Laws or Act is passed we want to see that it is properly implemented.

শ্ৰীলক্ষী কান্ত শইকীয়া :—উপাধ্যক্ষ ডাঙৰীয়া, কুটীৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগৰ সম্পৰ্কিত যিখন বিধেয়ক আহিছে সেইখন সমৰ্থন কৰি মই দুবাৰ কথা কৈ কেইটা মান পৰামৰ্শ দিব বিচাৰিছো ।

উপাধ্যক্ষ ডাঙৰীয়া, মই নিজে এখন বোৰ্ডৰ সদস্য আছিলো আৰু সদস্য হিচাপে মোৰ অভিজ্ঞতাৰ পৰা কব বিচাৰিছো যে এই বিধেয়ক খনৰ দ্বাৰা যিটো সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিছে সেইটো উঠাই যিটো আগৰ ব্যৱস্থা আছিল, সেই ব্যৱস্থাৰে বিভাগীয় কৰ্ম্মকৰ্তা সকলৰ অনুগ্ৰহত যিখিনি দৰ্খাস্ত বৰ্ত্তমান পৰি আছে সেইখিনি বিবেচনা কৰিব লগা হৈছে । সেইক্ষেত্ৰত কিছুখিনি বৈষম্য দেখা দিছে আৰু সেই বৈষম্য দূৰীকৰণৰ ব্যৱস্থা যদি নকৰে তেনেহলে নতুন উদ্যোগ স্থাপন হব বুলি আমি আশা কৰিব নোৱাৰিম । সেইকাৰণে এই বিলখনত জিলা ভিত্তিত বিয়পাই পেলোৱাৰ খোজত মই বৰ ভাল পাইছো আৰু এই খিনিতে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰছো যে যিটো ব্যৱস্থাৰে টকা বিতৰণ কৰা হব সেই পদ্ধতিটো জিলা পৰ্য্যায়তে আবদ্ধ নাৰাখি মহকুমা পৰ্য্যায়, আৰু আঞ্চলিক পৰ্য্যায়লৈকো দিয়া ব্যৱস্থা কৰিব লাগে । আৰু ইয়াৰ কৰ্ম্ম কাজ বিলাকো বিষয়াসকলৰ মাজতে আবদ্ধ নাৰাখি কেইটামান বোৰ্ড গঠন কৰি দিয়া বিষয়ে চিন্তা কৰে যেন । এই বিষয়ত মই আৰু এটা কথা কব বিচাৰিছো আৰু লগতে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে উপৰোক্ত কথাখিনি যেন পুনৰ বিবেচনা কৰে ।

দ্বিতীয়তে বিত্ত নিগমে ১৯৭২ চনতে তিনিলাখ টকা সাহার্য্য মূলক হিচাপে দিয়াৰ কথা আছিল। সেই খিনি আজিও দিয়া নহল সেই কাৰণে মই আশা ৰাখিছো এই টকা খিনি আমাৰ মহকুমা বিলাকলৈ দিয়াৰ ব্যৱস্থা কৰে যেন। যাৰ দ্বাৰা সেই টকা খিনি বিতৰণ কৰাত সুবিধা হব। তাৰ পাছত আমাৰ কেইবা গৰাকী সদস্যই কৈছে উদ্যোগৰ কাৰণে এই বিধেয়কখনত যিখিনি টকা ধৰিছে সেইটো বহুত কম হৈছে। সেই টকাৰে সবহসংখ্যক উদ্যোগ স্থাপন কৰিব পৰা নহয়। সেই কাৰণে যাতে অধিক সংখ্যক লোকক ইয়াৰ টকা দিব পাৰি তাৰ বাবে উপযুক্ত ব্যৱস্থা কৰিব লাগে। নতুন উদ্যোগতো নহলেই আৰু যি মাত্র অলপ টকা দিছে তাৰে উদ্যোগিক সকলক সহায় কৰাতো নহয়েই বৰঞ্চ তেওঁলোকক বিপদত পেলোৱা হে হব। সেই কাৰণে মই আশা ৰাখিছো যাতে চৰকাৰে আৰু কিছু বেছি টকা দি উদ্যোগ স্থাপনত উৎসাহ দিয়ে। তাৰ পাছত উদ্যোগৰ কাৰণে টকা দিয়া হৈছে যদিও তাৰ পৰা পাব লগীয়া কৰ বিক্রয় কৰ আদি আদায় কৰা হোৱা নাই। এতিয়ালৈকে আমি জনাত বহুতো টকা উদ্যোগৰ বাবে ধাৰে দিয়া হৈছে আৰু সেই বিলাকৰ পৰা পাব লগা ধাৰ আৰু কৰ এতিয়ালৈকে আদায় কৰা নাই। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো এই পৰি থকা কৰ বা অনাদায়ী কৰ বিলাক সোনকালে আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে, যাতে এই টকাখিনিৰে আকৌ বেলেগ উদ্যোগৰ বাবে বেলেগ এজনক শিল্প প্রতিষ্ঠা কৰিবলৈ দি অসমৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব বুলি আশা কৰিলো।

শ্রীৰাম চন্দ্র শৰ্ম্মা: অধ্যক্ষ মহোদয়, এই বিধেয়ক খনৰ মই বিৰোধিতা কৰিছো। এই সংশোধনীটোৱে আশাতকৈ নিৰাশাৰ ভাৱহে বেছিকৈ আনি দিছে। আগতে যিমান টকা ধৰা হৈছিল তাক কমাই এতিয়া এই বিধেয়ক খনত সংশোধনী অনা হৈছে। এই ২৬ বছৰত স্বাধীনতাৰ পিচত ২০।১৫ হেজাৰ টকা লোন দিয়াৰ ব্যৱস্থা সংবিধানত ৰাখি ও কোনো উদ্যোগ চৰকাৰে পাতিব নোৱাৰিলে। গাঁও অঞ্চলত তেনেকুৱা ধৰণৰ কোনো উদ্যোগ বা অনুষ্ঠান নেদেখিলো। এই বিধেয়ক খনত ৫ হেজাৰ টকা দিয়াৰ কথা কৈছে, ইয়াৰ দ্বাৰা একোৱেই নহব। টকা

আনিবলৈ যাওঁতেই প্ৰায় এক হেজাৰ টকা খৰচ হয়। বাকী টকাৰে খেৰ ভলুকা বাহৰ খুটা কেইডালমান পুতিলেই উদ্যোগ হবনে ? আমি ডেকাসকলক ক'ও যে উদ্যোগ কৰা ইয়াৰ বাহিৰে আমি তেওঁলোকক একো দিব পৰা নাই। মহিলা সমিতি বিলাকে এখন তাঁতশাল লব পৰা নাই। আমাৰ প্ৰতিনিধি বা মন্ত্ৰীসকলৰ ওচৰত তেওলোকে স্মাৰক পত্ৰ দাখিল কৰে। ৪০.৫০ জনী শিপিনীৰ মাজত মাত্ৰ এখন তাত শাল দিয়ে তাৰে তেওঁলোকে একোৱেই কৰিব নোৱাৰে। আমি যুৱক যুৱতী-সকলক ভাল পৰামৰ্শ দিয়াৰ বাহিৰে একো দিব নোৱাৰো। ধাৰ দিয়াৰ যিটো ব্যৱস্থা হৈছে তাৰ দ্বাৰা উদ্যোগ গঢ়ি উঠাতো সম্ভৱ নহয়। ইয়াৰ দ্বাৰা আমাৰ যুৱক-যুৱতী সকলক নিৰোৎসাহে কৰা হৈছে। আমাৰ নিবনুৱা যুৱক সকলৰ নিজা টকা-পইচা নাই, মাটি-বাৰী নাই। এই ৫ বা ৭ হেজাৰ টকাৰে ক্ষুদ্ৰ উদ্যোগ এটা আৰম্ভ কৰি আধৰুৱাকৈ এৰি থব লগীয়া হয়। গতিকে

টকা বিতৰণৰ ক্ষেত্ৰত আগতে এখন কমিটি গঠন কৰা ভাল। তেওঁলোকে কত কত উদ্যোগ হব পাৰে কত কি বস্তু প্ৰয়োজন সেই অনুসাৰে টকাৰ যোগান ধৰিব লাগে। এই কমিটিত বিশেষজ্ঞ থাকিব লাগিব। তেতিয়াহলে আমাৰ যুৱক-যুৱতী সকলক সহায় কৰা হব। আমাৰ শিপিনী সকলৰ উলৰ কাম, তাতশালৰ কাম অনেক আছে। ক্ষুদ্ৰ উদ্যোগৰ উন্নতিৰ ফলত সিপিনীসকলে সুতাও নোপোৱা হৈছে। শ্ৰীকবীৰ ৰায় প্ৰধানীয়ে কৈছে যে ১০ হেজাৰ বিধবা মহিলাই আন্দোলন চলাইছে। এই ধৰণে সকলো ঠাইতে হৈ আছে, মই আশা ৰাখো চৰকাৰে আগ্ৰহেৰে আগবাঢ়ি আহি আমাৰ যুৱক-যুৱতী সকলক সহায় কৰিব।

অধ্যক্ষ মহোদয়,

নগৰ বিলাকতকৈ গাঁও অঞ্চলৰ সমস্যা বেছিহৈ আহিছে। শিক্ষিত অশিক্ষিত বহুতো নিবনুৱাই জীবিকাৰ পথ বিচাৰি ঘুৰি ফুৰা দেখা যায়। গোটেই ভাৰত জুৰি শ্ৰীশক্তিজাগৰণৰ সপ্তাহ পাতি বক্তৃতা

দিয়া হয়। যুৱক সন্থা, নিবনুৱা সন্থা, শিপিনী সংঘ আৰু মহিলা সমিতি আদি পাতি চৰকাৰৰ পৰা জীৱিকাৰ উপায় দাবি কৰে। কিন্তু আমাৰ মন্ত্ৰী; এম, এল; এ; সকলে বক্তিতাৰ ফুলজাৰিৰে এৰাই অহাৰ বাদে কোনো সঠিক উপায় দিব নোৱাৰে। কিন্তু চৰকাৰৰ বিল বিল হৈয়ে থাকে। সেই কাৰণে মোৰ এই বিলৰ ওপৰত বিশ্বাস নাই আৰু মই এই বিলৰ বিৰোধিতা কৰিছো।

শ্ৰীমতী প্ৰনিতা তালুকদাৰ :

মাননীয় অধ্যক্ষ মহোদয়, এই সদনত মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই আমাৰ ৰাজ্যখনত ক্ষুদ্ৰ উদ্যোগৰ সাহাৰ্য্যৰ ক্ষেত্ৰত যিখন বিধেয়ক ইয়াত উপস্থাপন কৰিছে তাক মই সমৰ্থন কৰি দুআষাৰমান কবলৈ বিচাৰিছো। আমাৰ ৰাজ্য খনৰ অৰ্থ নৈতিক উন্নয়ন কিছু ক্ষেত্ৰত হলেও, আমাৰ ৰাজ্যৰ দৰিদ্ৰতাৰ সংখ্যা আজিও হ্ৰাস কৰিব পৰা নাই। আজি আমাৰ ৰাজ্যত অৰ্থ নৈতিক উন্নয়ণ কিছু হয়, কিন্তু আমি আমাৰ ৰাজ্যত থকা শিক্ষিত নিবনুৱা সকলৰ সংখ্যা হ্ৰাস কৰিব পৰা নাই। আৰু আমি কৰ্ম্ম সংস্থান দিব পৰা নাই। গতিকে আজি আমাৰ চৰকাৰৰ আটাইতকৈ প্ৰধান কথা হৈছে ক্ষুদ্ৰ ক্ষুদ্ৰ কিছুমান উদ্যোগ স্থাপন কৰি আমাৰ এই শিক্ষিত নিবনুৱা ডেকা-গাভৰু সকলক কৰ্ম্ম সংস্থান দিয়া আৰু লগে লগে আমাৰ ৰাজ্যখনৰ অৰ্থনীতি বঢ়োৱা। আজি আমাক ২০ হাজাৰৰ পৰা সাৰে সাত হাজাৰলৈ সাহাৰ্য্যৰ কথাৰে ইয়াত সংশোধনী বিল উপস্থাপন কৰিছে। এই কথাটো অৱশ্যে মই অলপ বেছি হোৱা হলে ভাল পালোহেতেন কাৰণ আজি সকলো বস্তুৰে দাম দুই চাই হৈছে, তথাপিও সাৰে সাত হাজাৰ শিল্পি সকলক দিয়াৰ পিছত সেই উদ্যোগ শেষ নোহোৱা পৰ্য্যন্ত যদি আৰু কিছু টকা প্ৰয়োজন হয় তেন্তে সেই সাহাৰ্য্য আমাৰ চৰকাৰৰ তৰফৰ পৰা চেষ্টা কৰিব লাগে। আজি আমি দেখিবলৈ পাইছো যে, আজি যিমানখিনি ক্ষুদ্ৰ উদ্যোগত চৰকাৰৰ ফালৰ পৰা সাহাৰ্য্য দিয়া হৈছে, সেই উদ্যোগ সমূহ টকাৰ অভাৱত হৈ উঠিলে। ঋণৰ ধাৰ পৰিশোধ কৰিব নোৱাৰি উপায়হীন হৈ পৰে। গতিকে

এই উদ্যোগ শেষ নোহোৱালৈকে চৰকাৰে সাহাৰ্য্য দিয়াৰ প্ৰয়োজন বুলি মই ভাবো। আজি আমাৰ কিছুমান প্ৰয়োজনীয় বস্তুৰ ওপৰত কিছুমান সম্পদৰ ওপ্ৰৰত ভিত্তি কৰি আমি কিছুমান ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিব পাৰো। আমাৰ দেশৰ অধিক সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। কৃষিজাত সামগ্ৰীৰ দ্বাৰাও কিছুমান ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিব পাৰে। আজি আমাৰ চৰকাৰেও উন্নত পদ্ধতিত কৃষি কৰিবৰ কাৰণে নানা ধৰণৰ আচনি লৈছে। সেই কাৰণেই উন্নত প্ৰণালীত কৃষি কৰিবলৈ হলে কৃষিৰ সজুলি আদিও উন্নত হব লাগিব। সেই ক্ষেত্ৰত আমাৰ ৰাজ্যত যিবিলাক নিবনুৱা শিক্ষিত ডেকা আছে তেওঁলোকক প্ৰশিক্ষণ দি এনেধৰণৰ কিছুমান উদ্যোগ স্থাপন কৰিবলৈ সুবিধা দিয়া উচিত। তাৰোপৰি আমাৰ অসম ৰাজ্যখন বনজাত সম্পদেৰে ভৰপুৰ। বনজাত সম্পদৰ ওপৰত ভিত্তি কৰিয়েই বাহ, বেতৰ কাম, জুই শলাৰ কাম, চটিৰ শলা আদি তৈয়াৰ কৰিলে গ্ৰাম্য অঞ্চলৰ অৰ্থনীতি উন্নত হব আৰু আমাৰ পিচপৰি থকা অঞ্চলৰ নিবনুৱা হৈ থকা ডেকা গাভৰুৱে যাতে এই বিলাক কাম কৰি সংস্থাপন কৰিব পাৰে, আৰু গ্ৰাম্য অঞ্চলৰ অৰ্থনীতি বঢ়াই আমাৰ ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ন কৰিব পাৰে, তাৰ বাবে আমি প্ৰচেষ্টা চলাব লাগে। ইয়াৰোপৰি আমাৰ ৰাজ্যৰ ফলমুলৰ সংখ্যা ও বহুত বেছি। কমলা, মধুৰী আম এই বিলাকৰ ওপৰত ভিত্তি কৰি ৰস তৈয়াৰ কৰি সৰু সুৰা উদ্যোগ স্থাপন কৰিব পাৰে। ইয়াৰোপৰি আমাৰ যি বিলাক ক্ষুদ্ৰ উদ্যোগ আছে, তাঁত শিল্পৰ বা কাহ পিতলৰ উদ্যোগ আছে, সেই আপুৰুগীয়া সম্পদ বিলাক আজি চৰকাৰৰ সা-সুবিধা নোপোৱাৰ ফলতেই আজি মৃতপ্ৰায় অৱস্থা পাইছেহি। যিবিলাক কুটিৰ শিল্প আছে, যিবিলাক তাতশিল্প আছে তাৰ শিপিনী সকলক সাহায্য দি তাঁতশিল্পৰ সংখ্যা বৃদ্ধিকৰি শিপিনী সকলক সহায় কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল হবলৈ সহায় কৰিব বুলি আশা কৰিলো। ইতিমধ্যে যিবিলাক উদ্যোগ ইতিমধ্যে স্থাপন কৰা হৈছে আৰু ঋণ পৰিশোধ কৰিবলৈ বাকী আছে, সেই টকা বিলাক কেনে ধৰণে

ব্যৱসায় হস আৰু ঠিকমতে উদ্যোগ কৰিব পাৰিছেনে নাই এইবিলাক চোৱা চৰকাৰী বিষয়া সকলৰ এটা কৰ্ত্তব্য। মই আশা কৰো মহকুমাৰ ভিত্তিত যিবিলাক বিষয়া আছে, যিবিলাক বড় আছে সেই বিলাকক যি ৭।। হাজাৰ টকা সাহায্য দিয়া হৈছে, আৰু আগতে যিবিলাকে ঋণ লৈ পৰিশোধ কৰিব পৰা নাই, এই সকলোবিলাকৰে এটা সম্যক তদন্ত কৰি চৰকাৰৰ পক্ষৰ পৰা সহায় কৰিব বুলি মই আশা কৰিলো। আৰু এই সংশোধনী বিলখন সমৰ্থন কৰিলো।

শ্ৰীমহম্মদ ইদ্ৰিচ :—মন্ত্ৰী

মাননীয় অধ্যক্ষ মহোদয়, মই এই বিধায়ক বিল খনে সদনত ইমান উত্তেজনাৰ সৃষ্টি কৰিব বুলি মই ভবা নাছিলো। মই সচাকৈয়ে আনন্দিত হৈছো যে, আমাৰ সকলো মাননীয় সদস্যই আজি এই ৰাজ্যখনৰ উদ্যোগীকৰণৰ কাৰণে যি উদ্বেগ প্ৰকাশ কৰিছে সেই উদ্বেগৰ পৰিপ্ৰেক্ষিতত এই ক্ষুদ্ৰ বিলখনত তেখেঁত সকলৰ মনোভাৱ প্ৰকাশ কৰিছে। এই বিল খনৰ পৰিপ্ৰেক্ষিতত যি আলোচনা বা বিতৰ্কৰ আৱশ্যকতা আছিল সেই আলোচনা অতিক্ৰম কৰি আজি উদ্যোগীকৰণৰ সকলো বিষয়ে অৱতাৰণা কৰি এনে ধৰণে আলোচনা কৰা হৈছে তাৰ বাবে মই নিজেই উপকৃত হৈছো। আৰু মোৰ বিভাগে নিশ্চয় উপকৃত হৈছে আৰু আজি মই যিখিনি মন্তব্য কৰিব খুজিছো সেইখিনি কেৱল মাত্ৰ এই এমেণ্ডমেণ্ট বিলখনৰ ওপৰত ভিত্তি কৰিহে কৰিব খুজিছো উদ্যোগীকৰণত নিবনুৱা সমস্যা সম্পৰ্কে মাননীয় সদস্য দুলাল বৰুৱা ডাঙৰীয়া ই, মাননীয় সদস্য দুলাল খাউন্দ ডাঙৰীয়াই, আৰু মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই উত্থাপন কৰিছে। সেইখিনি সকলো কথা অতি সাগতিয়াল কথা আৰু তাৰ ওপৰত এটা আলোচনা হোৱাতো আৰু তাত ব্যক্তিগত মত জনোৱাতো অতি আৱশ্যক। যিহেতুকে এই সংশোধনী বিলখনৰ পৰিপ্ৰেক্ষিতত এই আলোচনাৰ অৱতাৰণা হোৱাতো খুব সমীচীন নহব বুলিয়েই মই কেৱল মাত্ৰ সংশোধনী খনৰ ওপৰত ভিত্তি কৰিহে দুষাৰ মান কবলৈ উঠিছো। আমাৰ বিলখনৰ কনচিদাৰেচন চৈত্ৰত আলোচনা

হৈছে । এটো কথা সকলো মাননীয় সদস্যই অনুভৱ কৰিছে যে নিবনুৱা সমস্যা সমাধানৰ কাৰণে উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে । এই সংশোধনী বিলখনত ৭ হাজাৰ ৫ হাজাৰ টকা দি ক্ষুদ্ৰ উদ্যোগ গঢ়িব খুজিছে, এইটো অবাস্তৱ কথা যেন লাগে ।

সেই কাৰণেই মই আমাৰ মাননীয় সদস্য বন্ধুসকলৰ লগত একমত যে, ক্ষুদ্ৰ উদ্যোগ কৰিবৰ কাৰণে বিশেষ ক্ষেত্ৰত ৫ হেজাৰ আৰু চাৰে সাত হেজাৰ সচাঁকৈয়ে যথেষ্ট নহয় । কিন্তু মই সদনত এই কথা নিবেদন কৰিব খুজিছোঁ যে, এই ক্ষুদ্ৰ উদ্যোগৰ বিশেষ কিছুমান ভাগ আছে । এই ভাগ বিলাকৰ সন্দৰ্ভত মাননীয় সদস্য বন্ধু সকলৰ মন্তব্যত আগবঢ়োৱা ভাৱ যুটি ওলাইছে । আমাৰ মাননীয় সদস্য শ্ৰীৰামচন্দ্ৰ শৰ্মা, মাননীয়া সদস্যা শ্ৰীপ্ৰণীতা তালুকদাৰ, শ্ৰীদেৱেন্দ্ৰ নাথ বৰা, শ্ৰীলীলাকান্ত দাস আদি সদস্য বন্ধু সকলৰ কথাত এই খিনি ভাৱ ফুটি ওলাইছে ।

আৰু এটাত মই আমাৰ মাননীয় সদস্য শ্ৰী গগৈ ডাঙৰীয়াৰ লগতো একমত যে, আমাৰ ৰাজ্যত উদ্যোগীকৰণৰ ক্ষেত্ৰত যিবিলাক সম্ভাৰ আছে সেইবিলাকৰ ওপৰত ভিত্তিকৰি উদ্যোগ গঢ়ি তোলাৰ সম্ভাৱনা অন্যান্য ৰাজ্যতকৈ বহুগুণে বেছি । কিন্তু লগতে মই এই কথাটোও কব খুজিছোঁ যে, আমাৰ ৰাজ্যখনত ক্ষুদ্ৰউদ্যোগৰ যিবিলাক সম্ভাৱনা আছে সেইবিলাকৰ যদি পৃষ্ঠপোষকতা কৰিবলৈ যোৱা যায় তেতিয়াহলে, বৰ্ত্তমান আমাৰ যি খিনি পূজী আছে সেই খিনি পূজীতকৈ আৰু বহুতবেছি পূজীৰ আৱশ্যক । আমাৰ ৰাজ্যখনত ক্ষুদ্ৰ উদ্যোগ আৰু কুটিৰ শিল্পৰ ক্ষেত্ৰত যোৱা তিনিবছৰৰ ভিতৰত যি ঋণ দি আহিছোঁ সেই সম্পৰ্কত মই যোৱা তিনিবছৰৰ হিচাব এটা সদনৰ আগত দাঙি ধৰিব খুজিছোঁ । এই হিচাবৰ পৰাই আমি দেখা পাম যে, যদিও আমি কুটিৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত ঋণদানৰ পৰিমাণ প্ৰত্যেক বছৰ ক্ৰমাগত বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হৈছে যদিও সেই বৰাদ্দ আমি বাজেটত চাহিদা অনুসৰি যিমান ধৰিব পাৰিবলাগিছিল তাৰ তুলনাত নিচেই কম অৰ্থাত, নিচেই কম

বুলিয়েই কৰ পাৰি। ১৯৭০-৭১ চনৰ ভিতৰত ঋণ হিচাবে ৪,৪৪,৯৫০ টকা দিয়া হৈছিল। এই পৰিমাণটোৱেই বৃদ্ধিপ্ৰাপ্ত হৈ ১৯৭১-৭২ চনৰ কালছোৱাত হ'লগৈ ৬, ৯৯, ৬২৬ আৰু ১৯৭২-৭৩ চনত হয়গৈ ৮, ৫৪, ৮০০ আৰু চলিত বছৰৰ কালছোৱাত ধৰা হৈছে ৯৭০, ০০০ টকা। এইটো মই সন্মানিত সদনক জনাব খুজিছোঁ যে বৰাদ্দ কালত আমাৰ ক্ষুদ্ৰ উদ্যোগী সকলক দুটা পৰ্য্যায়ত ঋণ দিয়াৰ ব্যৱস্থা কৰিছোঁ, .........এটা ৰাজ্যিক পৰ্য্যায়ত.........পাছ হেজাৰৰ পৰা বিশ হেজাৰলৈ আৰু আনটো জিলা পৰ্য্যায়ত দুহেজাৰ পাছশ লৈকে। কাজেই ৰাজ্যিক পৰ্য্যায়ত যি ২০ হেজাৰ টকা দিয়াৰ কথা আছিল তাৰ ভিতৰত অনান্য বছৰৰ কথা নকওঁৱেই ১৯৭২-৭৩ চনত আমি যি টকা ভগালো তাত হিচাব কৰিলে গড়ে ৮ হেজাৰ টকাহে দিয়া হল। কাজেই যি ক্ষুদ্ৰ উদ্যোগীয়ে আঁচনি লৈছে আৰু যি সকলে ৰাজ্যিক পৰ্য্যায়ৰ পৰা ২০ হেজাৰ টকা লোৱাৰ কাৰণে তেওঁলোকে মাটি বন্ধক, চিকিউৰিটি দি, বা মৰ্টগেজ আদি দিয়াৰ কাৰণে এবছৰ ৰেভিনিউ, উদ্যোগ আদি বিভিন্ন বিভাগ আদিলৈ যাবৰ কাৰণে খিলং আদিলৈ অহা যোৱা কৰোতেই প্ৰায় একহেজাৰ মান টকা খৰচ হৈ যায়। তদুপৰি আঁচনিৰ ৰিকুৱাৰমেণ্ট কৰিব পৰাকৈ পৰ্য্যাপ্ত পৰিমাণৰ টকা হোৱা হলেও তাত আক্ষেপ কৰিব লগীয়া একো নাছিল। একো একোটা ক্ষুদ্ৰ উদ্যোগৰ আচনিত দুই, পাছ লাখ পৰ্য্যন্ত টকা খৰচ পৰে। এনে অৱস্থাত ক্ষুদ্ৰ উদ্যোগী জনে ২,৬০০-টকাপালেকেনেকৈ ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব ?ফলত এই অল্প টকাটকালৈ বাকীখিনি টকা যোগাৰ কৰিবৰ কাৰণে উদ্যোগীজন এ, এফ, চি, ৰাষ্ট্ৰীয়কৃত বেংক, বা অনান্য বিত্তীয় সাহাৰ্য্য সংস্থা বিলাকৰ কাষ চাপিব লগা হয়। এইটোৰ কাৰণে আকৌ লাগি থাকোতে প্ৰায় এবছৰ মান সেইদৰেই গুছি যায়। ইতিমধ্যে হাঁতত থকা টকা খিনিও ক্ৰমাত খৰচ হবলৈ আৰম্ভ কৰে। শেষত যিটো দেখা যায় এই ধৰণেই ক্ষুদ্ৰ উদ্যোগী জন বহুত প্ৰকাৰে ক্ষতিগ্ৰস্ত হবলগীয়া হয়। সেই কাৰণেই আমি আৰ্টিজানকে আদি কৰি, স্মল ইনট্ৰেপ্ৰিনিয়ৰকে আদি

কৰি এটা নতুন স্তৰৰ উদ্যোগৰ কথা চিন্তা কৰিছো। যি সকলৰ বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰী ৰাম চন্দ্ৰ শৰ্ম্মা. লীলা কান্ত বৰা, দেবেন্দ্ৰ নাথ বৰা প্ৰমুখ্যে ভালে কেইজন সদস্যই পোনপটীয়াকৈ কৈছে। আজি আমাৰ বহুতো ঐতিহ্যপূৰ্ণ কুটিৰ তথা গ্ৰাম্য শিল্প ক্ৰমান্বয়ে নাইকীয়া হৈ যাব ধৰিছে। বাহ, বেতৰ শিল্পক আদি কৰি তেনে পৰ্য্যায়ৰ যিবিলাক শিল্প আছে সেই বিলাকত বেছি নেলাগে অন্তত পাছ হেজাৰমান টকা হলেও কাম কৰিব পাৰি। সেইদৰে ৰেছম, বয়ন আদি ব্যৱসায়ত থকা সকলোৱে পাছহেজাৰ টকা হলেই যথেষ্ট হব পাৰে। জিলাপৰ্য্যায়ত আঢ়ৈ হেজাৰ টকা দিয়াৰ যি নিৰিখ আছিল সেইটো সংশোধন কৰি পাছহেজাৰ কৰা হল যাতে দুৰ্ব্বল শ্ৰেণীটো তাৰ পৰা লাভবান হব পাৰে। ২০ হেজাৰৰ পৰা পাছ হেজাৰ টকা দিয়াৰ কথাটো মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ নিশ্চয় লক্ষ্য কৰিছে। ক্ষুদ্ৰ উদ্যোগীক পাছ হেজাৰ, চাৰে সাত হেজাৰ টকা নিদিলে কোনো টকা দিয়াই নহব বুলি তেখেতে অৱশ্যে ভাল কথাই কৈছে। বাকীখিনি টকা তেওঁলোকে ফাইনেন্সিয়েল ইনষ্টিটিউচনৰ পৰা ফিল আপ কৰা কথাটো তেওঁলোকৰ কাৰণে শেষত বিৰম্বনা হৈ পৰে। মাননীয় সদস্য শ্ৰীলীলা কান্ত দাস ডাঙৰীয়াই কোৱাৰদৰে বাহ বেতৰ শিল্প, কাহ-পিতলৰ বাচন নিৰ্মান, হাতী দাতৰ শিল্পকে আদি কৰি ভাৰত বৰ্ষৰ বাহিৰতো চাহিদা থকা ঐতিহ্য পূৰ্ণ শিল্প কিছুমান আজি দিনে দিনে মনোযোগ নিদিয়াৰ কাৰণে নিঃশেষ হৈ যাব ধৰিছে। এই শিল্প বিলাকৰ পুনৰোদ্ধাৰ কৰাটোৱেই এই সংশোধনীৰ মূল উদ্দেশ্য। মূলধনেই এওঁবিলাকৰ প্ৰধান সমস্যা। দুখীয়া শ্ৰেণীৰ এনে শিল্পী সকল আমাৰেই থলুৱা মানুহ তাত কোনো সন্দেহ নাই। সেই কাৰণেই অধ্যক্ষ মহোদয়, মই আপোনাৰ আগত কওঁ যে, ভালে কেইজন সদস্যই পাছ ছয় হেজাৰ টকাৰে এটা শিল্প হব নোৱাৰে বুলি কোৱা কথা টোত মইও একমত। এজন উদ্যোগীক আঁচনিৰ গোটেই টকাটো দিব পৰা হলে মই নিশ্চয় সুখী হলোহেতেন। কিন্তু বৰ্ত্তমান ৰাজ্যৰ বীত্তিয় পৰিস্থিতিয়ে এইটো কৰাত আমাক সমৰ্থন নকৰে। মই আৰু

এটা কথা নিবেদন কৰিব খুজিছো যে, আমাৰ প্লেনিং কমিশ্যন আৰু ভাৰত চৰকাৰৰ উদ্যোগ নীতি হৈছে উদ্যোগীকৰণৰ ক্ষেত্ৰত আমি ৰাষ্ট্ৰীয়কৃত বেংক বা তত্‌জাতীয় বিত্তীয় অনুষ্ঠান বিলাকৰ পৰা বেছিকৈ পইচা লব লাগে।

প্ৰতিজন উদ্যোগীকে প্ৰাপ্য পইচা সাহাৰ্য্য দিব পৰা যায় যদিও তেওঁলোকৰ বৰ্দ্ধি বৃদ্ধি কৰাৰ কোনো অৱকাশ চৰকাৰে পোৱা নাই। সেই কাৰণে নতুন দৃষ্টিভঙ্গীৰে যাতে এই যি সকল ক্ষুদ্ৰ উদ্যোগী আছে সেই সকলক সহায় আগবাঢ়িব পাৰি তাৰ কাৰণে সেই কথাটো বিবেচনা কৰা হৈছে ২য়তে এই যি নতুন চাৰে সাত হাজাৰ টকাৰ প্ৰস্তাৱ লোৱা হৈছে সেইমতে এজন ইঞ্জিনিয়াৰ বা এজন ডিপ্লোমা হোল্ডাৰ বা টেকনিচিয়ানে কেনেদৰে আগ বাঢ়িব সেইটো যে চিন্তাৰ বিষয়। কিয়নো এজন টেইও ইঞ্জিনিয়াৰে যি আচনি হাতত লব সেই আচনি অতি কমেও ১ লাখ টকাতকৈ কম নহব। গতিকে এনে ক্ষেত্ৰত চাৰে সাত হাজাৰ টকাৰে উদ্যোগী জনে কামত আগবাঢ়িব পাৰিব বা তেওঁৰ সহায়ত আহিব, সেইটো আমাৰ বিভাগেও ভবা নাই আৰু মইও ভবা নাই। অৱশ্যে এইটো বাস্তৱ কথা যে চাৰে সাত হাজাৰ টকা লৈ তেওঁ তেওঁৰ প্ৰাৰম্ভিক কাম খিনি যেনে বেংকৰ লগত যোগাযোগ কৰোতে যিখিনি খৰচ পৰিব, তাৰে যত্ন কৰি তেওঁৰ প্ৰয়োজনীয় গোটেইখিনি পইচা আদায় কৰিবলৈ সুবিধা পাব। আজিকালি ইঞ্জিনিয়াৰ বা ডিপ্লোমা হোল্ডাৰ বা টেকনিচিয়ান সকলে বিনা জামিনত 'পাৰচনেল' চিকিউৰিটি দি ১ লাখ টকা পোৱাৰো সুবিধা হৈছে। এই যি সকল ইঞ্জিনিয়াৰ বা টেকনিচিয়ান আছে তেওঁলোকে ক্ষুদ্ৰ উদ্যোগ ললেও তাৰ আকাৰ বৃহত আৰু ডাঙৰ হব আৰু সেই উদ্যোগৰ কাৰণে ২৫ হাজাৰ বা ২০ হাজাৰ টকা দিলেই বিশেষ একো সহায়ত নাহিব অথচ সেই পৰিমানৰ সাহাৰ্য্য আগ বঢ়াবলৈও আমাৰ সামৰ্থ নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছিলোয়েই যে যোৱাবাৰ ৰাজ্যিক পৰ্য্যায়ত যি টকা দিয়া হৈছিল সেই টকা গড়ে ৮ হাজাৰ

টকা হব জিলা আৰু ৰাজ্যিক পৰ্য্যায়ত মিলালে। জিলা হিচাবে হিচাব কৰিলে দেখা যায় ৯ খন চাবডিভিজনৰ হিচাব মোৰ হাতত আছে, তাত দেখুৱা হৈছে যে ৮১ জন মানুহক ৭০ হাজাৰ টকা চাব-ডিভিজন লেভেলত দিয়া হৈছে, গড়ে পৰিছে মাত্ৰ ৮৭৫ টকা, ক্ষুদ্ৰ উদ্যোগী সকল ইয়াৰ ভিতৰত পৰিছে যেনে-উইভাৰ, ব্লেক স্মিট্, কাৰপেনটাৰী, ট্ৰেইলৰচ এই সকলোৰে ইউনিত আছে। কিন্তু এই ৮৭৫ বা ১০০০ টকাৰে ক্ষুদ্ৰ উদ্যোগীজনৰ কিমাননো সহায় হব? মাননীয় সদস্য গিয়াচুদ্দীন ডাঙৰীয়াই আৰ, আই, পি আচঁনিৰ পৰা টকাটো দিচ বা চৰ্মেণ্ট নোহোৱাৰ কথাটো কৈছে, বা জেটাৰী প্ৰভিজনত ধুবুৰীত ৬ জনক ৬ হাজাৰ টকা দিয়া হৈছে, কিন্তু ১৫০০ টকা ৬ জন উদ্যোগীক দিলে তেঁও-লোকৰ সমস্যা সমাধান নহব অৱশ্যে তেঁওলোকে যত্ন কৰি হলেও বেঙ্কৰ পৰা টকা পালে নিশ্চয় সেই উদ্যোগ গঢ়ি উঠিব। সেইকাৰণে কেবাগৰাকী সদস্যই মন্তব্য কৰিছে যে এই ঋণ বিতৰণ কৰাৰ ক্ষেত্ৰত সংশোধনী অনাৰ লগে লগে উদ্যোগ মন্ত্ৰীয়ে ভৱিষ্যত ঋণ বিতৰণ কৰাৰ এটা পৰিস্কাৰ ছবি ডাঙি ধৰা হলে সুখী হলোহেতেন।

মই নিজেই আনন্দিত হলোহেতেন আৰু সুখী হলোহেতেন। যদি তেনেধৰণৰ পৰিস্থিতি সদনৰ আগত ডাঙি ধৰিব পাৰিলোহেতেন। বহু ক্ষেত্ৰত দেখা যায় যে উদ্যোগী জনে বহু চেষ্টা কৰিও বেঙ্কৰ পৰা পইচা পোৱা নাই ফলত সেই টকা খিনি এৰিয়াৰ হিচাবে বাকী ৰৈ গৈছে। গতিকে এনে ধৰণে যাতে আমাৰ ডেকা সকলে অযথা হেৰাচমেণ্ট নাপায় তাৰ বাবে তেঁওলোকক উৎসাহ উদ্দিপনা আগবঢ়াব লাগে বুলি আমাৰ মাননীয় সদস্য সকলে কোৱাৰ দৰে মই ও কও। তাৰোপৰি আমাৰ উদ্যোগ ঋণ দিয়াৰ ক্ষেত্ৰত এনেবিলাক আসোঁৱাহ থকাৰ কাৰণেই আমি সেই বিলাক ঋণ আদায় কৰিব পৰা নাই। তাৰ পিছত মাননীয় সদস্য লক্ষী শইকীয়া ডাঙৰীয়াই যিটো কথাৰ অৱতাৰণা কৰিছে সেই ক্ষেত্ৰত মই কও যে মহকুমা পৰ্য্যায়ত এই টকা ভাগ কৰিবলৈ দিয়া হৈছে। এইটো সম্পৰ্কত বোধকৰো আমাৰ

বেচি অসুবিধা নহব। মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই উল্লেখ কৰিছে যে এ, এফ, চিৰো ১৯৬৪ চনত ৩১ মাৰ্চৰ দিনা ১ লাখ টকা আৰু ১৯৬৭ চনৰ ৩১ মাৰ্চ্চ দিনাখন ১ লাখ ৪০ হাজাৰ টকা দিছিল আৰু সেই টকাৰ এতিয়ালৈকে ১ লাখ ১৫ হাজাৰ টকাহে বিতৰণ কৰা হৈছে আৰু বাকী মাত্ৰ ২৫ হাজাৰ টকা এতিয়াও বাকী আছে।

কাজেই ৩ লাখ টকাৰ যিটো কথা মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিছে, মই জনাত আমি সেই মতেই এই কথা মই ইয়াত নকওঁ। তথাপি মই সেই কথাটো চাম।

মাননীয় অধ্যক্ষ মহোদয়, এফ চি আইয়ে তেখেত সকলৰ কাম আৰম্ভ হোৱাৰ দিনাৰ পৰাই দেখা যায় যে আমাৰ অসমত উদ্যোগী কৰণৰ কাৰণে ২ কোটি ৩১ লক্ষ্য টকা বিতৰণ কৰিছে। আৰু এই কাৰণেই ১৮০ টা উদ্যোগ গঢ়ি উঠিছে। আমাৰ যি সকল কাৰীকৰী লোক আমাৰ অসমত আছে সেই সকলৰ যথেষ্ট কথা মই কলো। কিন্তু আজি শিক্ষিত নিবনুৱা যি সকলক আজি উদ্যোগৰ মাধ্যমেৰে প্ৰতিস্থা কৰিব খুজিছো। সেই সকলক কি ৰকমে সহায় কৰিব পাৰিম এই কথাটো আজি উতবেগ প্ৰকাশ কৰা হৈছে।

অধ্যক্ষ মহোদয়, আজি উদ্যোগী কৰণৰ কাৰণে সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত ভাৰত চৰকাৰৰ নিৰ্দ্দেশ ৰাষ্টিয় কৃত বেংক বিলাকে লিবাৰেল কৰে তেনেহলে আমাৰ বহুত সহায় হব। মই এই কথা অতি সুখেৰে জনাব খুজিছো যে আজি কিছুদিন ধৰি আমাৰ ৰাষ্ট্ৰিয় কৃত বেংক সমুহে টকা দিয়াত লিবাৰেল হৈছে। মই আশা কৰিছো আমাৰ ৰাষ্ট্ৰিয় কৃত বেংক সমুহে টকা দিয়াৰ ক্ষেত্ৰত আৰু উদাৰ মনোভাৱ পোষণ কৰিব; তাকে কৰিলেই আমাৰ আচনি বিলাক দ্ৰুত গতিত প্ৰনয়ণ কৰিব পাৰিম। আজি যি কোনো এজন শিক্ষিত নিবনুৱাই টেকনিকেলি ফিজিবল, ইকনমিকেলি ভায়েবল আচনি কৰিলে তেনে ক্ষেত্ৰত যদি বেংক বিলাকে ৰিফিউজ কৰে তেনে

পৰিস্থিতিত আমি উৎসাহিত কৰিব নোৱাৰিম তাৰ কাৰণে মই সকলোকে নিবেদন জনালোঁ। এইটো কোৱা হয় যে আমাৰ ফালৰ পৰা কথা বিলাক জোৰ কৰি নধৰাৰ কাৰণে তেনে অৱস্থা হয়। চৰকাৰৰ ফালৰ পৰা ৰাষ্ট্ৰীয় কৃত বেংক সমূহৰ লগত যোগাযোগ কৰিয়েই এইটো কৰা হৈছে। শ্ৰীদুলাল খাউণ্ড ডাঙৰীয়াই এটা কথা কৈছে যে এইটো এটা অবাস্তৱ কথা যে অসমত যিমান বিলাক শিক্ষিত নিবনুৱা আছে সেই সকলোকে উদ্যোগী কৰণৰ মাধ্যমেৰে পুনৰ সংস্থাপন ব্যৱস্থা কৰা হব বা তেখেত সকলৰ জীবিকাৰ নিৰ্বাহৰ এটা পথ দিয়া হব। কাৰণ সকলো শিক্ষিত নিবনুৱাৰে উদ্যোগ প্ৰতিস্থাত মন নাথাকিব পাৰে। সেই কাৰণে যি সকলৰ আগ্ৰহশীল যি সকল লোকৰ পৰা ইকনমিকেলি ভায়েবল আচনি পায় তেওঁলোকক ৰাষ্ট্ৰীয় কৃত বেংকে ঋণ নিদিয়াকৈ নোৱাৰিব। এইটো আমি ভাবিছো যে এফ চি আয়ে আমাৰ ৰাজ্যৰ যিটো নীতি তাৰ লগত সামঞ্জস্য ৰাখি অসমৰ ফাইনেনচিয়েল কৰপৰেচনে উদ্যোগী কৰণৰ কাৰণে ঋণ দিবলৈ তেওঁলোকৰ মনোভাব সৃষ্টি কৰিবৰ কাৰণে আমি চেষ্টা কৰি আছিছো। আমাৰ নিজস্ব ৰাজ্যৰ এটা অনুষ্ঠানে যাৰ এ এফ চি আইৰ লগত আৰু অন্যান্য ফাইনানচিয়েল ইমপ্লিকেচন ৰিজাৰ্ভ বেংকৰ লগত জৰিত আছে তেখেত সকলেও আমাৰ দেশৰ উদ্যোগী কৰণত সহায় কৰিব বুলি বাঞ্চা কৰোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সংশোধনীটোৰ আৰু এটা দিশ আছে, যিটো সন্তোষৰ দিশ। এইটো হৈছে ৫ হাজাৰ আৰু চাৰে ৭ হাজাৰৰ প্ৰয়োজন, মহকুমা পৰ্য্যায়ত যি সকলে দৰখাস্ত দিব সেই সকলে কোনো মাটি বন্ধক দিব নালাগে।

আমাৰ মাননীয় সদস্য সকলৰ এইটো অবগত আছে যে আজি মাটি বন্ধক দিয়াৰ কাৰণে এটা ব্যৱস্থা আছে সেইটো ৰাজহ বিভাগৰ পৰা এইটো কৰিব লাগিব। তাৰ পিচত ইনডাষ্ট্ৰিয়ে অনুমোদন কৰিব এইদৰে এঠাইৰ পৰা আনঠাইলৈ ঘুৰি ঘুৰি আহি চিলং পাবহি লাগিব

এইদৰে যাতে ঘূৰা ঘুৰি কৰি থাকোতে সময় নালাগে তাৰ কাৰণে এটা সৰল ভাৱে নীতি প্ৰনয়ণ কৰা হৈছে। যদিও এই ব্যৱস্থাৰ মাধ্যমেৰে ৯ লাখ টকা ধৰা হৈছে, এই ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগীৰ সংখ্যা যথেষ্ট হব। কাজেই মই আশা ৰাখিছো যে, সদস্য সকলে এটা পৰামৰ্শ দিছে যে মহকুমা পৰ্য্যায়ত হব লাগিব, আমাৰ যেতিয়া ৰোল তৈয়াৰ কৰা হব তেতিয়া প্ৰত্যেক মহকুমাতে ঋণ পোৱাৰ ব্যৱস্থা কৰা হব। আৰু এডভাইচাৰী কমিতিৰ মাধ্যমেৰে যি সকলক প্ৰকৃততে উদ্যোগী সেই সকলক দিবৰ কাৰণে সদনত এই বিল ডাঙি ধৰিছো। লগতে এইটোও কব খুজিছো যে আজি এই উদ্যোগী কৰণৰ কাৰণে যদি যথেষ্ট পৰিমানৰ টকা থাকিল হেতেন তেতিয়াহলে মুক্তহস্তে লিবাৰেল লোনৰ ব্যৱস্থা কৰিব পাৰিলোহেঁতেন। কিন্তু আজি যিটো পৰিস্থিতি আৰু সৰ্ব ভাৰতীয় নীতি এই নীতিৰ পৰা দেখা যায় যে আজি ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ পৰা এই টকা লব লাগিব আৰু উদ্যোগী কৰণৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। যদিও ৫ হাজাৰ, চাৰে ৭ হাজাৰ, টকাৰ আমাৰ দেশত উদ্যোগ নহব বুলি কয় তেতিয়াহলে মই কব খুজিম যে যোৱা ২৬ বছৰ ধৰি এই ব্যৱস্থা আৰু কম আছিল। আজি যিমান টকা ধৰা হৈছে আগতে আৰু কম টকা ধৰা হৈছিল। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই উদ্যোগীকৰণৰ সম্পৰ্কত কিছুমান বাস্তৱ অসুবিধাৰ কথা কৈছে। আৰু ঋণৰ মাত্ৰা লৈ তেখেতে আপত্তি নাই বুলি কৈছে। কিন্তু ঋণ যিমানেই নহওক এই উদ্যোগ বিলাকৰ কাৰণে মাৰকেটিং আৰু ৰ মেটেৰিয়েলচত মনোযোগ দিব লাগে। মই আৰম্ভনি তেই কৈছো যে আমাৰ সদস্য বন্ধু সকলে পৰামৰ্শৰ মাধ্যমেৰে বহুতো দিশত আলোচনা কৰিছে। সেই আলোচনাৰ প্ৰত্যেকটোৰ উত্তৰ দিয়াটো সমীচিন বুলি নাভাবো। আন এটা সুযোগ লৈ সেই আলোচনাৰ অৱতাৰণা কৰিম বুলি আশা ৰাখিছো। গতিকে এই সংশোধনী বিল খন আজি এই সদনত মাননীয় সদস্য সকলে পাচ কৰাৰ সুবিধাদিয়ে। আৰু যদি প্ৰনয়ন কাৰ্য্যত যদি কোনো অসুবিধা পৰিক্ষিত হয় তেনেহলে মই সেই ক্ষুত দূৰ কৰিবৰ কাৰণে

পুনৰ সংশোধনী লৈ এই সদনত উপস্থিত হম। এই খিনিকে কৈ মই সদস্য বন্ধু সকলক অনুৰোধ কৰিছো যাতে এই বিল খন পাচ কৰাত সুবিধা দিয়ে। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া ঃ বিত্তীয় নিগমৰ মেনেজিং ডিৰেক্টৰে কৈছিল তেওঁলোকৰ হাতত তিনিলাখ টকা বিতৰণ কৰিবলৈ বাকী আছে। কাৰণ উদ্যোগ বিভাগে কোনো আচনি দিব পৰা নাই। এই কথাটো চৰকাৰে জানেনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ :— এই খন এফ, চিৰ ৰিপোৰ্ট আনিছো। এই ৰিপোৰ্টৰ মতে ১৯৬৩ চনত ১লাখ আৰু ১৯৬৭ চনত ৪০ হেজাৰ টকা মাত্ৰ।

শ্ৰীদুলাল বৰুৱা :— উদ্যোগ মন্ত্ৰীৰ ভাষণটো শুনি ভাল লাগিল। মাননীয় সদস্য গৰাকীয়ে কৈছে যে শিল্পৰ শিতানত তিনিলাখ টকা পৰি আছে, তাৰ কাৰণে বিভাগে আজিলৈকো কোনো ধৰণৰ ব্যৱস্থা নললে। তাৎমানে আমি কব নোৱাৰোনেকি যে গালো-বালো-খোলা-খুটি তাল।

শ্ৰীমহমদ ইদ্ৰিছ :— এফ, চিৰ পৰা এইখন ৰিপৰ্ট চাইন কৰি আনিছো। মোৰ ইয়াত দুটা টকাৰহে হিচাব আছে। তিনি লাখৰ কথাটো পৰীক্ষা কৰি চাম।

**Mr. Speaker :**—The motion moved is that the Assam Aid to Industries (small and Cottage Industries) (Amendment) Bill, 1973 be taken in to consideration.

(The House divided with the following result the result was obtained by counting the heads)

Ayes — 42

Noes — 12

The motion is adopted.

Now, the next item. There is no amendment to Clause 2 and so I put it. The question is that Clause 2 of the Bill does form part of the Bill.

(The motion was adopted)

In clause 3 there is an amendment in the name of Shri Dulal Chandra Barua and others.

Shri **Dulal Chandra Barua** :—Sir, I beg to move that (1) In sub—section

(1) of Section 4 of the principal Act, in the proposed sub-section

(2) in line three the figure "7, 500" shall be substituted by the figure "15, 000" and in line fifth the figure "5, 000" shall be substituted by the figure "10, 000"

(2) In the proposed sub-clause (4) in line one the figure "20,000" shall be substituted by the figure "15000."

Sir, my whole intention of moving this amendment is, as has been rightly pointed out by my colleague day before yesterday, that there should not be any such limitation. We are, on principle, objecting to the Bill not because we do not want to help the local entrepreneurs but our objection is with regard to implementation. This has been the feeling of almost all the Members of this House. We propose to start industries on the basis of locally available raw materials. This morning I asked for a clarification from the Chief minister as to how we are proceeding with industrialisation. We want need-base industries but we do not know how to encourage our young educated boys to start need-base industries the raw materials of which are locally available. Many of my hon. friends....

Many of my fiends have already pointed out that all the cream of industries have gone to the hands of the capitalist groups. The Government is thinking to remove poverty and to bring about the economic development of the State. All these are going in vain. The facilities for starting ply wood

and other small factories are to be given to the local youths. Sir, we have got the bitter experience that in the name of parafin distribution for small industries, many people have taken away the raw-materials elsewhere and a good profit. For such mismanagement we are responsible to a great extent. Because without proper assessment and enquiry we have alloted the parafin to the people who are keen for starting industries. Before such distribution we must see whether the young entrepreneurs are sincere or not, whether they have got the aptitude to start such an industry or not. Only in the name of local youths we should not be blind. After distribution also the Govt. should enquire whether he has established the industry or not. In this field the political leaders are also involved. They used to get s ome commission from the big capitalists in the name of starting small industries. On many occasions we urged upon the Govt. to find out whether the raw-materials supplied are properly utilised or not-but it had no effect. Even in the Congress party such things are there. Now-a-days people wearing khaddar paijama are not to be trusted. I can give an example a man who sold one plot of land nine times to different parties has become the pet boy of the Govt. Therefore, I would suggest, if the Govt. is keen to do something good for the people then the Govt. must be strict and vigilant. Proper guidance should be given to the unemployed and educated youths. The schemes should not be confided only in the Office, It should be executed into practice. Sir, Now-a-days boys who have passed the B. A. or B. Sc. are after the white colour job. The job of a clerk· They do not like to go for cultivation which was their original field of activities. Therefore, the Govt. Should take steps to train up the minds of the young boys in the proper way. Unless we do this no industrial development in the State is possible.

Sir, I have got a long of such industries in Assam. I would, request the Chief Minister if he has got time to go and inspect those units and see whether they are really existing or not. I think the Chief Minister will have a good account of the industries that we are having in the State. Sir, the question of distribution of loan is not a very important thing to me.

**Mr. Speaker : Mr. Barua,** please speak on the amendment.

**Shri Dulal Chandra Barua :** Sir, if you do not like then I will stop. I am giving the background of the whole thing why we are against this amendment. So many bills have been passed in this Legislature but what is the result of those bills. Noboby is there to see whether these bills are implemented or not. I want to know from the hon. Minister for Industries whether he made any assessment about the capital requirement of the new industrialists. The Govt. should examine about the initial requirement for starting an industry. The Deptt. have got so many officer, Director, Joint Director, Zonal Directors and so on but we do not know anything about the working of those officers. I wounder how the Minister without proper examination can come before the House with such an amendment. The amount may be 7,500 for one, 15.000 for another and 20, 000 for someother - that is, it should be according to the needs of the industrialists. Sir, I would like to refer to two things. The first is about bell metal industry of Sarthabari and Jorhat which had a very good name in the past are dying for want of proper help. Similarly, the blacksmithy in karanga had to be closed. When this new Ministry came into being I thought something. would be done. But the officers there to take certain definite measures to save this industries then and there. But nothing was done. If this thing continues for some more time then the people will have no faiath on this Ministry. Therefore, Sir, at the bringing an amendment the

Minister should have equipped himself with all the facts that are necessary. There are people. .........

There are people only to show their beautiful figure; somebody can speak also beautiful English. but that not help us. They have been dragging us towards destruction-economic destruction. It is my experience. Sir, I am not an expert. But can the Minister in-charge of Industries give us the name of a single industry taken up by Government which has become successful or profitable. Not a single name he can give. There are three machinery in the Industries Department. First is, when they will incur heavy loss or when they are not in a position to manage the affair simply they will hand over it to the small Industrial Devlopment, Corporation, which is nothing but a Corporation of failure. Not a single unit has come up under their management. Sir, we donot want any profit, but at least it must become a successful; may not be all, but at least one or two. I do not know whether this matter was discussed with the Chief Minister. If things go on like this there will be no end of it. Again, when the SIDC will fail they will call for tender and people from outside will come and in this the industry shifts from the people of the State to outsiders. It is our experience that no basic idea was there at the time of planning the indnstry; no man with technical background was there to see the prospect at the time of planning. What is planning? The planner must see that if such and such industry is planned what will be the result of it? There may be failure but reasons must be shown. We have got a galaxy of officers who are sitting at Shillong,. and perhaps the Chief Minister has not been able to bring them here. Of course, accommodation problem is there. We are swiming in the ocean, we do not have any vehicle. We do not know in what way we are functioning.

If there is some defect in the planning and if it is detected the plea will be before us that due to shifting of capital 'we could not do this,' Before that, they used to take the plea of Chinese aggression, After 1965 they gave the plea of war with Pakistan and in 1971 they gave the plea of conflict with Pakistan on Bangladesh affairs, and now they will take the plea of shifting of capital. All these things should be carefully examined. My whole contention is that unless there is proper assessment about the prosperity or prospect of industries in various places the question of distribution of loan should never be encouraged. Suppose, the Industries Department have sanctioned some amount for a particular purpose you will find that amount has not been spent for the purpose for which it was sanctioned. The amount will be utilised for constructing the house or for his daughter's marriage The Department cannot check it, because they do not care to do it. Therefore, by the amendment which has been brought by the Minister I do not think, any radical change can be made in the present state of affairs and present set up of the Industries Department. It is a fact that we do not care to do these things. We must also know how to utilise public funds for industries and other purposes. That is lacking is us everywhere with the people of Assam. Though we rebuke them we do not know how to go ahead with the Development plan. We see that all the time everybody is coming for industrial loan. My friend is pleading for distribution at the district level. He will have the experience that the needy man will be deprived of the facilities, The organisation set up at the district level is never above political pressure. We consider things from political point of view. At the centre also such things are considered from political point of view, That is why, Assam has been deprived by the Centre because Assam does not have much political importance on Centre. The Minister

cannot given any assurance that at the time of distribution of loan there will not be political tangle. There the question of genuineness of the person to be selected for such purpose will be considered. The Minister cannot give any assurance or any hope. We cannot expect justice to be done to the genuine people. At the same time, the officers will not have the guts to with stand the political manipulation and genuine persons will not be selected for distribution of the loan. Therefore, I feel, unless proper assessment and revaluation is made and unless Government take up definite schemes for development of industries-need based industries which can be run with the raw materials available here the big capitalists will be swallowing up everything at the instance of the Government, who want us to remain in poverty, and encourage the capitalists to create an atmosphere in which they will be able to exploit us and thrive and prosper at our cost. The Government simply is looking on to all these exploitation as passive onlookers. The capitalists do not have any interest in our State : their interest is .........

They are interested to exploit us. These things are to be taken over by the Govt. immediately. I have found about the helplessness of the Minister in-charge of Power when we examined the list of people. Practically there is no local indigenous people in the list: Only Rs. 75 (0/-is fixed for giving industrial loan. From the Financial Corporation of Assam several lakhs of rupees were taken by the Govt. This Financial Corporation is a pay Master to the Capitalist but they are not the pay master to Industries Department because of the callousness of the Industries Deptt, for such kind of financial assistance. Therefore, my submission that the amendment which is before the House is a vague one. My whole contention is

that there should not be any limitation, it should be decided by the local Committee or Board as to what would be the quantum of loan to be given to the particular Industries. Now, there is no such expert here for categorising the local industries. That is why they are not in a position to tell the House that what would be the quantum of financial assistance necessary for the different catogory of Industries. Therefore, Sir, my whole contention is that there should not be any limitation in the Amendment. We are to fix the limitation on the higher rate. Therefore, I am bringing this amendment well after and the amount which was stand in the Amendment Rs. 7500/-to Rs. 15000/Money value has gone down now-a-days. By taking the figures we are to deal with the present market, and the amount of Rs. 7500/-should be substituted by the figure Rs. 15,000/-with these few words Sir, I commend the Amendment of the Bill for the acceptance of the House.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উপদলপতি ডাঙৰীয়াই দিয়া ভাষণটো সমৰ্থন কৰি উদ্যোগৰ ক্ষেত্ৰত দুষাৰ কথা কব বিচাৰিছো। মন্ত্ৰী ডাঙৰীয়াই কব পাৰে যে তেখেতক মিছাতে ট্ৰাবুল দিব খুজিছো আৰু কষ্ট দিব বিছাৰিছো ; কিন্তু এই যাৰ কথা কলেও এইটো কথা সচা যে আমাৰ উদ্যোগ বিলাকৰ প্ৰতি দৃষ্টি ৰাখি যদি আমাৰ বিভাগতে সংশোধন কৰা যায় তেনেহেল মই আশাকৰো বৰ্ত্তমান দেশৰ যিটো অৰ্থনৈতিক অৱস্থা সেই অৱস্থা দূৰ কৰিব পৰা যাব। বিশেষকৈ আমাৰ কুটীৰ শিল্প আৰু ক্ষুদ্ৰ শিল্পৰ ক্ষেত্ৰত আমাৰ শিক্ষিত ডেকা সকলক নিয়োগৰ সুবিধা দি দেশৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব পাৰি। কিন্তু এইটো কৰিবলৈ হলে আমাৰ আগৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি দিলে নহব। এতিয়া আমি শুকান মাটিত পানী উলিয়াব লাগিব, পাহাৰৰ টিঙত পাইপ বহুৱাব লাগিব। অসমৰ খেতিয়কসকল জন্মগত শিল্পী নহয়। গতিকে শিল্পত নিচা বহুৱাবলৈ হলে সকলো ধৰণৰ সা-সুবিধা দিব

লাগিব। আমাৰ সাধাৰণতে ডেকা লৰাবিলাকৰ মনো ভাব হল কোনোমতে এটা চাকৰি কৰা। এই মানুহ বিলাকক এতিয়া শিল্পলৈ চিপ্‌টিং কৰি আনিব লাগিব। ইয়াৰ কাৰণে নিৰ্দ্দিষ্ট কাৰ্য্যকৰী ক্ষমতা প্ৰয়োগ কৰিব লাগিব। আমাৰ যিবিলাক ত্ৰুটি আছে সেইবিলাক আতৰাব লাগিব। আমি সদায় মানুহবিলাকক উৎসাহিত কৰিব লাগিক। কাৰণ আমাৰ ডেকা লৰা বিলাকে উদ্যোগ কৰিবলৈ আগবাঢ়ি নাহে।

আমাৰ চৰকাৰে কিবা চেল কৰিছে বুলি মুখ্যমন্ত্ৰীৰ ষ্টেটমেণ্টৰ পৰা তেনে চেল কৰি ডেকা বিলাকক মাতি আনি সজ পথটো উপলব্ধি কৰাব পাৰে। অকল খবৰ কাগজত বিজ্ঞাপন দিলেই নহয়। কেচামাল কিমান লাগিব আৰু কেচামাল সন্তৱপৰ হব এই বিষয়ে বুজাই এটা পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰিলে শিল্প নুঠে—শিল্পৰ ক্ষেত্ৰত যিমানেই খৰছ নকৰক একো কাম নহব। চৰকাৰী কৰ্ম্মচাৰী সকলে এই বিলাক কথা বিতংকৈ বুজাব লাগিব। নহলে ১০ বছৰৰ পিচত আমাৰ অৱস্থা কি হব? অসমত খেতি কৰা মাটিৰ বৃদ্ধি নহয়, আনহাতে জনসংখ্যা বাঢ়ি আছে। যদি আমি এটা উদ্যোগ পাৰিপাশ্বিকতা সৃষ্টি কৰিব নোৱাৰো তেন্তে দেশত উদ্যোগ গঢ়ি উঠাৰ কোনো সম্ভাৱনা নাই। কুটীৰ শিল্পত ইমান লাভ হব ইত্যাদি কথা কৈ তেওঁলোকক প্ৰলুব্ধ কৰিব লাগিব। মৰাপাটৰ বচি এডাল পকাই থাকিলে এসময়ত ইয়াৰ পৰা যে জোট মিল হব পাৰে এইবিলাক কথাৰ আভাস দিব লাগিব। অধ্যক্ষ মহোদয়; মই মাত্ৰ আৰম্ভনিহে কৰিলো আৰু কবলগীয়া বহুতো থাকিল।

Mr. Speaker, The House stands adjourned till 10. A. M. tomorrow.

The Houe then rose at 4. P. M. till 10 A. M. on Tuesday the 26 th. November 1973.

Dated Dispur.
the 26-11-1973

Shri P. D. Barua.
secretary
A. L. A.